


# মায়ং সাৰ্ব্বজনীন গোঁসাই উলিওৱা মেলা আৰু গড় ভঙা উৎসৱৰ ইতিবৃত্ত

লোকেন্দ্ৰ হাজৰিকা

মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অতি প্ৰাচীন কালৰে পৰা "যাদুৰ দেশ" ৰূপে পৰিগণিত হৈ আহিছে। কিন্তু মায়ঙৰ পৰিচয় কেৱল এয়াই নহয়, মায়ঙত আজিও পৰম্পৰাগত ৰজা আছে। ৰাজ্য শাসন নকৰিলেও ডিমাছা কছাৰী ফৈদৰ (পিচলৈ কোচ) এক ৰাজ পৰিয়ালে কেৱল পৰম্পৰা ৰক্ষা কৰি হ'লেও ৰাজপাট অধিকাৰ কৰি আহিছে। এই ৰাজ পৰিয়ালৰ পৃষ্ঠপোষকতাত গোঁসাই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱ আজিও পালিত হৈ আহিছে।

প্ৰাচীন মায়ং ৰাজ্যৰ ৰাজবংশৰ দশম জনা ৰজা শৰশ্চ চন্দ্ৰ সিংহ আছিল এগৰাকী প্ৰতাপী, ধাৰ্মিক, উৎসাহী আৰু তীক্ষ্ণ বুদ্ধি সম্পন্ন প্ৰজাৰঞ্জক ৰজা। শনিৰাম সিংহৰ মৃত্যুৰ পিচত ১৫৯০ শকত প্ৰায় ৬২ বছৰ বয়সত এইজনা ৰজাই মায়ং ৰাজ্যৰ ৰাজপাটত আৰোহন কৰে। তেওঁ আছিল এই বংশৰ মায়ং ৰাজ্যৰ আদি ৰজা শূইনত সিংহৰ কনিষ্ঠ পুত্ৰ। ৰাজপাটত আৰোহন কৰিয়েই শৰশ্চ চন্দ্ৰ সিংহ ৰজাই বৰ পুত্ৰ প্ৰেম চন্দ্ৰ সিংহক উঠি ৰজা বা সৰু ৰজা পাতি নিজে বহি ৰজা বা বৰ ৰজা হৈ ৰাজ্য শাসন কৰিবলৈ ধৰিলে। তেওঁ

প্ৰজাসকলৰ মাজত শান্তি সম্প্ৰীতি অক্ষুণ্ণ ৰাখিবলৈ নানা ধৰণৰ প্ৰজাহিতকৰ কাম কৰিছিল। সেইসমূহৰ ভিতৰত এই গোঁসাই উলিওৱা মেলা আৰু গড় ভঙা উৎসৱো অন্যতম আছিল।

ৰাজপাটত আৰোহন কৰিয়েই শৰশ্চ চন্দ্ৰ সিংহই সৰু ৰজা প্ৰেমচন্দ্ৰ সিংহ আৰু কেইবাগৰাকীও বিশ্বাসী, অনুচৰ, বিষয়া আদিক লগত লৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ যায়। বিভিন্ন তীৰ্থ ভ্ৰমণ কৰি নৱদ্বীপ পায়হি আৰু তাৰ পৰা বাসুদেৱ, গোপাল, লক্ষ্মী নাৰায়ণ, শিৱ আৰু পাঁচজনা শালগ্ৰাম সহ দহজনা গোঁসাই মূৰ্ত্তি আনে। শালগ্ৰাম মূৰ্ত্তি কেইজনাৰ বাহিৰে বাকী কেইজনা ধাতৱ মূৰ্ত্তি। শালগ্ৰাম মূৰ্ত্তি কেইজনাৰ নাম ক্ৰমে ১। যুগল মিলন, ২। দধিমুখী ব্ৰাহ্মণ, ৪। গণ্ডুকী আৰু ৫। সুদৰ্শন চক্ৰ মূৰ্ত্তি। ইয়াৰ লগতে কাঠৰ দ্বাৰা নিৰ্মিত এজন বাসুদেৱ আৰু দুজন গড়ুৱ পক্ষীৰ মূৰ্ত্তিও আনিছিল।

নব-দ্বীপৰ পৰা এই মূৰ্ত্তি কেইজনা আনি ৰজাই সকলো বা-বিষয়া, মেধী, বাংঠে, পাটিৰ সেনাপতিকে আদি কৰি ৰাজ্যৰ প্ৰজাসাধাৰণকো ৰাজ চ'ৰালৈ আমন্ত্ৰণ জনাই মূৰ্ত্তি কেইজনা অনাৰ কথা অৱগত কৰে আৰু ইয়াক পালনৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। আলোচনাৰ অন্তত ৰজা, ৰাইজ সকলোৱে মিলি সিদ্ধান্ত কৰে যে, প্ৰতি বছৰে ব'হাগৰ চতুৰ্থ দিনাৰ পৰা ষষ্ঠ ব'হাগলৈকে গোঁসাই উলিওৱা মেলা পালনৰ বাবে "শপত" লয়। সেই অনুযায়ী ১৫৯০ শকৰ (খৃঃ ১৬৬৮) পৰা বৰ্তমানলৈকে এই উৎসৱটি মহা-সমাৰোহেৰে পৰম্পৰা ভাৱে পালন কৰি অহা হৈছে।

আদিতে এই আটাই কেইজনা গোঁসাই ৰজাঘৰীয়া নামঘৰত স্থাপন কৰি ৰাজ তত্ত্বাবধানত পালিত হৈ আহিছিল। তাৰবাবে ৰজাই ৰাজপুৰোহিত নিয়োগ কৰিছিল। কিন্তু কিছু দিনৰ পিচত নাথ (যোগী) ভিতৰত যোগ্যবান তিনিজনা ব্যক্তিক মেধী পদত অভিষিক্ত কৰি বাসুদেৱ, লক্ষ্মী আৰু শালগ্ৰাম মূৰ্ত্তি আৰু গোপাল মূৰ্ত্তি ৰাখি তিনি মেধীক পালিবলৈ দিলে। ৰজাঘৰীয়া, ৰাজবংশাৱলীত উল্লেখ থকা মতে নাথ (যোগীৰ) এই তিনিজনা মেধী হ'ল— পানী মৰা জাকৰ দণ্ডধৰ নাথ প্ৰথম মেধী, কৰ্ণা জাকৰ গহীন নাথ কণা ফৈদৰ দ্বিতীয় মেধী আৰু গধা জাকৰ গদাৰাম নাথ গধাজাকৰ তৃতীয় মেধী। এওঁলোকে নিজৰ নিজৰ তত্ত্বাৱধানত থকা, গোঁসাই মূৰ্ত্তি সবক চতুৰ্থ ব'হাগৰ দিনা ৰজাচ'ৰালৈ লৈ গৈছিল। তাতে গৈ ৰজাঘৰৰ বাসুদেৱ আৰু গোপাল মূৰ্ত্তিৰ লগত লগ কৰি মেল বহিছিল। মেলত পঞ্চম আৰু ষষ্ঠ ব'হাগৰ দিনা নগৰ ভ্ৰমণৰ বিষয়ে আলোচনা কৰিছিল।

ৰণজিত সিংহৰ ৰাজত্ব কালত (১৬৮৯-১৬৯৩ শক) ৰাইজৰ বিপুল দাবীত নোবা মেধীয়া খেলৰ শুকমন নায়ক মেধীপতি গোপাল মূৰ্ত্তি পালিবলৈ দিলে। তেতিয়াৰে পৰা ৰজাঘৰৰ বাসুদেৱ মূৰ্ত্তিকে ধৰি পাঁচঘৰৰ পৰা পাঁচজনা মূৰ্ত্তি একেলগে কৰি নগৰ ভ্ৰমণ কৰাৰ পৰম্পৰা অদ্যবধি চলি আহিছে।

ৰজা শৰশ্চ চন্দ্ৰ সিংহই এই গোসাঁই উলিওৱা মেলা আৰু গড় ভঙা উৎসৱ থলিত ৰভা খোলা দিয়া, গোঁসাই আগবঢ়োৱা, গোঁসাই খাটলি লোৱা এবং ল'ৰা (নাবালক ল'ৰা) যোগাৰ কৰা আদি বাবদ বিষয়া, মেধী, ঠাকুৰীয়া আদি পদৰো সৃষ্টি কৰি একোটা খেলৰ একোজন লোকক নিযুক্তি দিছিল। তদুপৰি তামোল পানৰ যোগান ধৰিবৰ বাবে তামুলী বৰুৱা, মালা (ফুলৰ মালা) পিন্ধাবৰ বাবে (গোঁসাইৰ লগতে ক্ৰমে ৰজা-বিষয়া আদিকো মান্যানুসৰি মালা পিন্ধোৱা নিয়ম) মালা দিয়া মেধী ৰজাক দোলাত বৈ নিবৰ বাবে মানুহ (দোলা ভাৰী) যোগাৰ কৰা হীৰা ফৈদৰ দোলা ঠাকুৰীয়া, ৰজাৰ মূৰত ছাটি ধৰিবলৈ ছত্ৰধৰ আদি বিষয়াকো নিযুক্তি দিছিল।

পূৰ্বৰ পৰা প্ৰচলিত নিয়ম আনুযায়ী চতুৰ্থ ব'হাগৰ দিনা গোঁসাইক ৰজা চ'ৰাত উলিয়াই। ইয়াক চ'ৰাত উলিওৱা কোৱা হয়। সেইদিনা ৰজাঘৰৰ বাসুদেৱ মূৰ্ত্তিক ৰাজপুৰোহিতে আৰু মেধীসকলৰ তাত থকা মূৰ্ত্তিক ৰাজমেধিয়ে পুৱাবেলাতেই বাহিৰলৈ উলিয়াই আনি নোৱন-ধুৱন কৰে। ইতিমধ্যে চ'ৰা সজোৱা বিষয়াই-গোঁসাই, ৰজা, বিষয়া মেধী বাংঠে, পাটিৰ, সেনাপতিকে আদি কৰি সমূহ ৰাইজৰ বাবে ভাগে ভাগে আসন পাতি চ'ৰা সজায় থব। নোৱন-ধুৱন, পূজা-পাতলৰ কাম শেষ কৰি উঠি বাসুদেৱ গোঁসাইক চ'ৰাত তোলে। আনফালে মেধীসকলৰ গোঁসাইকো নিজৰ নিজৰ খেলৰ লোকৰ সহায়ত মেধীসকলে খোল-তাল, শংখ-ঘণ্টা বজাই সু-সজ্জিত খাটলিত তুলি দুজনকৈ এৰা ল'ৰাৰ কান্ধত দি ৰজা চৰালৈ আনে। গোঁসাই আহি চ'ৰাৰ পদূলি মুখ পোৱাৰ লগে লগে ৰজাঘৰৰ দেউৰীয়ে ফুলৰ শৰাই ফুলৰ মালা, ধুপ-দীপ আদিৰে সেৱা সৎকাৰ কৰি গোঁসাই সকলক আদৰি চ'ৰালৈ আনে। তাৰ পিছত বাসুদেৱ মূৰ্ত্তিক মাজত লৈ দুয়োফালে নিৰ্দিষ্টকৈ থোৱা আসনত উপবিষ্ট কৰিব।

গোঁসাইসকলক উপবিষ্ট কৰাৰ পিছত সমূহ বা বিষয়া তথা ৰাইজে নিজৰ নিজৰ আসন গ্ৰহণ কৰিব। তাৰ পিছত 'মেল' বহে। মেলত পঞ্চম আৰু ষষ্ঠ ব'হাগত গোঁসাই উলিওৱা সম্পৰ্কে আলোচনা হয়। চ'ৰালে বুঢ়ামায়ঙৰ বাংঠাইকে আদি কৰি কাৰ্বি লোকসকল, হাতুমুৰীয়া ডেকা ৰজা আৰু বিষয়া খোলীয়া লোকসকলৰ উপৰিও ৰজা মায়ঙৰ মেধী, বৰমেধী, নাথ (যোগী), বিষয়া, তামুলী সকলোৱে আহি মেলত ভাগ লয়। মেলৰ অন্তত মাহ-প্ৰসাদ খাই সকলোৱে ঘৰাঘৰি যায়। মেধীসকলেও নিজৰ নিজৰ গোঁসাই ঘৰলৈ লৈ যায়। এয়াই চ'ৰাত তোলা প্ৰথা।

পঞ্চম ব'হাগৰ দিনা গোঁসাইক মায়ঙৰ মধ্যস্থান হাতীমুৰীয়াৰ বামুণ গোঁসাই থানলৈ নিয়াৰ নিয়ম। সেইদিনাও পুৱা বেলাত ৰজাঘৰীয়া বাসুদেৱ গোঁসাইক ৰাজপুৰোহিতে (সেইদিনা লক্ষ্মী মূৰ্ত্তি উলিওৱা নহয়) আৰু মেধীঘৰীয়া গোঁসাইসকলক ৰাজমেধিয়ে নোৱন-ধুৱন কৰি সু-সজ্জিত খাটলিত লৈ দৌলত তোলে। (পূৰ্বে শৰশ্চ চন্দ্ৰ সিংহৰ ৰাজত্ব কালত গোঁসাইক দৌলত তুলিবৰ বাবে ভেকেনী, ঠেঙাপাৰা, চোংতলী আৰু জীয়ামাৰী বিলৰ পাৰত একোটা দৌল নিৰ্মাণ কৰি তালৈ যোৱা দৌল আলি বা দেউলৰ আলিও নিৰ্মাণ কৰি দিছিল। কিন্তু কালক্ৰমত এই দৌল, দেউলৰ আলি নাইকিয়া হয় আৰু গোঁসাইকো দৌললৈ নিয়াৰ পৰিবৰ্তে ৰজামায়ং গাঁৱৰ মধ্যস্থিত বামুণ-গোঁসাই থানতেই তোলাৰ নিয়ম কৰি ল'লে। ইয়াৰ পিছত বাংঠাই খেলৰ লোকসকলে জাতীয় সাজ পৰিধান কৰি ঢাল বাৰু (তৰোৱাল) লৈ কাৰ্বি ঢোল আৰু মুৰিং (কালি)ৰ ছেৱে ছেৱে নৃত্য কৰি কৰি ৰজা ঘৰৰ পৰা গোঁসাইক আগবঢ়াই নিয়ে। এই যাত্ৰাকলত বামুণ গোঁসাই থানত থকা মেধীঘৰীয়া গোঁসাই সকলেও বাসুদেৱ গোঁসাইৰ সহযোগী হয়। গোঁসাইৰ লগে লগে ৰজা, ডেকা ৰজা, বাংঠাই, বিষয়া, মেধী, ঠাকুৰীয়া, তামুলী, পাটৰ সেনাপতিকে আদি কৰি সকলো ৰাজবিষয়া তথা ৰাইজেও পদযাত্ৰা কৰে। লগত গায়ন-বায়ন ঢুলীয়া, খুলীয়া বৰঢুলীয়াই নিজৰ নিজৰ বাদ্যযন্ত্ৰ আদি বজাই বজাই যায়। গোঁসাইক কাৰ্বি সমাজে আদৰি নিয়াৰ সময়ত বা মেলা থলিত নৃত্যৰ লগতে গীত গাই আনন্দ কৰে। গীতসমূহৰ এনেধৰণৰ —

কাৰ্বি "দমাহী ৰাংল, দ'মাহী কিকান ৰাংও ঐ
দ'মাহী ৰাংল, দ'মাহী ৰাংল ঐ"

(বিহু আহিল বিহু পাতো আহ ঐ আহ
বিহু আলি বিহু আহিল ঐ
বিহু গ'ল বিহু গ'ল ঐ।।)

আকৌ গোঁসাইক স্থাপন কৰাৰ পিছত মেলা স্থলিত গোৱা গীত—

কাৰ্বি "এ হেম এ হেম এ হেম
এ মায়ং ফঙচা আৰনাম আহ
লাপেন মায়ং বাসুদেৱ আৰনাম আহ
মায়ং ভগৱতী, কেচাই খাইটী,
হৰ পাৰ্বতী, শিৱ বাবা
নোৱা আৰনাম বাবা, শিলঘৰ বাবা,
তিনি উধনীয়া বাবা
তাতশাল মাই, ৰূথলি আৰনাম ইটুম
অনিয়মতা থেক থেক নিয়ম কাৰণ তা
চিনি দুন দে'ল মায়ঙৰ লাহান আৰনাম
আছ দ'ক পেতা কাৰদম। আদি

(হে মায়ঙৰ পঞ্চ গোঁসাই, মায়ঙৰ বাৰগণ দেৱতাসকল, আপোনাসৱক পূজিবলৈ (আমি) নিয়ম নীতি নাজানো (আপোনালোকক) সন্তুষ্ট কৰিবলৈয়ে, আমাৰ একোৱেই নাই। (হে) প্ৰভুসকল, আপোনালোকৰ (উল্লেখিত বাৰ গণ দেৱতাৰ) চৰণত পৰি প্ৰাৰ্থনা জনাইছো (মায়ং ৰাজ্যৰ) সকলোকেইটা প্ৰাণীকে যেন ভালে-কুশলে, আওঁৰি সামৰি ৰাখক।)

হাতীমুৰীয়াৰ বামুণ গোঁসাই থানৰ পদূলিমুখ পোৱাৰ লগে লগে ৰজাঘৰীয়া বিষয়াই তামোল পাণৰ শৰাই, ধূপ-দীপ, ফুলৰ মালাৰে আদৰি নিব। তাৰপিছত মেলাথলিত গোঁসাইক দৌলত তুলিব। বাসুদেৱ মূৰ্ত্তিক মাজত ৰাখি বাকী গোঁসাই কেইজনাইও আসন লব। একেদৰে ৰজা, ডেকা ৰজা, বিষয়া, বাংঠে, মেধী আৰু সাধাৰণ ৰাইজেও নিৰ্দিষ্টকৈ ৰখা আসনত উপবিষ্ট হ'ব। মালা দিয়া বিষয়াই সকলোকে ভাগে বাগে মালা পিন্ধাব। তাৰ পিছত কাৰ্বি লোকসকলে নৃত্য-গীত আৰু বিভিন্ন ধৰণৰ চিকাৰ কৰা মাছ মৰা, খেতি কৰা, কোৰ মৰা আদি নৃত্য কৰি দৰ্শকক আপ্যায়িত কৰিব। তদুপৰি শাৰীৰিক ব্যায়ম আদিও অন্যতম। কাৰ্বি লোকসকলৰ নৃত্য-গীতৰ অন্তত গায়ন-বায়ন আৰু

ৰাইজে নাম প্ৰসংগ কৰে। উক্ত স্থানত ৰজা আৰু ৰাইজৰ মাজত সহৃদয়তাৰ সৃষ্টি হয়। পৰস্পৰে পৰস্পৰৰ কুশল বাতৰি লয়। ইয়াৰ পিছত সমূহ ৰাইজে 'মায়ঙৰ পঞ্চদেৱতাৰ জয়ধ্বনি দি কাৰ্বি লোকসকল (বাংঠেকে আদি কৰি) বিদায় লয়। ইয়াৰ পিছত গোঁসাই স্ব-স্থানলৈ যায়।

ষষ্ঠ ব'হাগৰ দিনা গোঁসাইক মায়ং ৰাজ্যৰ আদি ৰাজধানী বুঢ়ামায়ঙলৈ নিব লাগে। সেইদিনা আটাইকেইজনা গোঁসইকে ৰজা চ'ৰালৈ আনি একেলগে যাত্ৰা কৰিব। গোঁসাই ৰজাচ'ৰা পোৱাৰ পিচত নাথ (যোগী) খেলৰ ৰাজমেধী, মেধী, ৰাজবিষয়া, বৰ বিষয়া, সৰু বিষয়া তথা ৰাইজে তামোল পাণৰ শৰাইলৈ গৈ ৰাজভৱনৰ পৰা আমন্ত্ৰণ কৰি আনিব। ৰজা অহাৰ পিছত সকলোৱে একেলগে গোঁসাইৰ লগত পদব্ৰজে যাত্ৰা কৰে বুঢ়া মায়ং অভিমুখে। এই যাত্ৰা কালত গায়ন, বায়ন, বৰঢুলীয়া আদিয়ে বাদ্য-ভাণ্ড বজাই গোঁসাই লৈ যায়। গোঁসাই যোৱা পথত গঞা ৰাইজে পদূলি মুখত কলপুলি পুতি ফুলৰ মালা বান্ধি দিয়ে আৰু ধূপ, দীপ আদিৰে গৃহস্থৰ সবেওটিয়ে সেৱা লয়।

গোঁসাই গৈ কাঠ পাৰা হৈ বামুণ গোঁসাই থান পোৱাৰ পিছত কাৰ্বি লোকসকলে ৰজা, ডেকা ৰজা, মেধী, বিষয়াসকলক মালা পিন্ধাই পূৰ্ব দিনাৰ দৰে ঢাল তৰোৱাল লৈ নৃত্য কৰি কৰি গোঁসাইক আদৰি নিব। বুঢ়া মায়ঙৰ ভগৱতী থানত সেইদিনা গোঁসাইক দৌলত তোলা হয়। ভগৱতী থানৰ পদূলি মুখৰ পৰা তামুলী মেধীয়ে গোঁসাইক আগবঢ়াই নিয়ে আৰু দৌলত তোলে। ইফালে ৰভা দিয়া বিষয়াই ৰভা পাতি সকলোৰে বাবে পৃথকে পৃথকে আসন পাতি থয়। উক্ত আসনত ৰজা তথা বিষয়া, মেধী, বাংঠে আদিয়ে আসন লয়। তাৰ পিছত মালা দিয়া বিষয়াই মালা পিন্ধায়। প্ৰজাবৰ্গই গোঁসাইক সেৱা সৎকাৰ কৰি ৰজাৰ কুশল বাৰ্তা লয়। ৰজায়ো লয়। ইয়াৰ পিছত পূৰ্ব দিনাৰ দৰে কাৰ্বি নৃত্য-গীতেৰে কাৰ্বি সমাজে দৰ্শকক আপ্যায়ন কৰে। তেওঁলোকৰ নৃত্য-গীতৰ অন্তত গায়ন-বায়ন আৰু ৰাইজে সমাজ দৰ্শকক আপ্যায়ন কৰে। তেওঁলোকৰ নৃত্য-গীতৰ অন্তত গায়ন বায়ন আৰু ৰাইজে নাম প্ৰসংগ কৰে। শেষত পুনৰ পঞ্চ দেৱতাৰ জয়ধ্বনিৰে বিদায় লয়। দুয়ো গোঁসাই উলিওৱা স্থানতেই ডাঙৰ মেলা বহে।

ভগৱতী থানৰ পৰা গোঁসাই কেচাইখাইটী থানলৈ (বুঢ়া মায়ঙৰ বৰঘাটৰ পাৰত) নিয়া হয়। (পূৰ্বে উক্ত ঠাইৰ কিছু ওপৰত (পাহাৰত) থকা কামাখ্যা ধামলৈ নিয়া হৈছিল বুলি প্ৰবাদ আছে। প্ৰবাদ মতে শৰশ্চ চন্দ্ৰ সিংহৰ ৰাজত্ব কালতেই কামাখ্যা ধামৰ দেউৰী টেপৰু আৰু মেঙেঙে এবাৰ পূজা শেষ কৰি উভটি আহোতে মনত পৰিল যে, মণিকূটৰ ভিতৰত নলীয়া কটাৰিখন এৰি থৈ আহিল। সেয়ে কটাৰীখন আনিবলৈ উভটি গৈ মণিকূটৰ ভিতৰ সোমাল। কিন্তু কটাৰিখন লৈ ওলাই অহাৰ পিছত মণিকূটৰ শিলৰ দুৱাৰখন পৰি গৈ চিৰদিনৰ কাৰণে মণিকূটতো বন্ধ হৈ ৰ'ল। এই কথাত ৰজা ৰাইজ সকলো আচৰিত হ'ল আৰু ভয় খালে। প্ৰবাদ মতে কামাখ্যা ধামত পূজা দি উভটি যোৱা বা পিচলৈ চোৱাৰ নিয়ম নাই। তেতিয়াৰে পৰা গোঁসাইক তালৈ নিনি তলতে ৰখাৰ নিয়ম হ'ল। ইয়াতো খন্তেক জিৰণি লৈ পঞ্চ দেৱতাৰ লগতে বাৰগণ দেৱতাক (বাসুদেৱ, ভগৱতী, কেচাইখাইটী, হৰ-পাৰ্বতী, শিৱ বাবা, নোৱা গোঁসাই, শিলঘৰ, তিনি উধনীয়া, তাতশাল, ৰণথলি আদি) স্মৰণ কৰি জয়ধ্বনি দিয়ে। প্ৰবাদ আছে যে সেইদিনা আই কামাখ্যাই কামৰূপৰ কামাখ্যাপীঠৰ পৰা বুঢ়া মায়ঙৰ কামাখ্যা ধামলৈ মায়া (লীলা) কৰিবলৈ আহে। সেইদিনা দেৱীৰ লগতে পঞ্চ দেৱতা, বাৰগণ দেৱতা আৰু তেত্ৰিশ কোটি দেৱতাৰ মিলন ঘটে।

কেচাইখাইটী থানত ক্ষন্তেক জিৰণি লৈ জয়ধ্বনি দি গোঁসাই লৈ সমূহ ৰাইজে ৰজা মায়ঙলৈ প্ৰত্যাগমন কৰে। কাৰ্বিসকলে কাঠপাৰাৰ বামুণ গোঁসাই থানলৈকে নৃত্য কৰি আগবঢ়াই থৈ আহে। তাতেই তেওঁলোকে গোঁসাই, ৰজা, বিষয়া, ৰাইজক সেৱা জনাই বিদায় দি উভটি আহি চিকাৰী জাল আৰু জোং-ষাঠী লৈ হাবিত সমূহীয়া চিকাৰ কৰে গৈ। গাহৰি বা পহু চিকাৰ কৰি আনি নিশালৈ সকলোৱে মিলি লগ ভাত খায়। কিন্তু কালক্ৰমত এই প্ৰথাৰ নাইকিয়া হৈ গ'ল।

**গড় ভঙা উৎসৱ ঃ**

গোঁসাই গৈ ৰজামায়ং পোৱাৰ পিছত ৰজাঘৰীয়া নামঘৰৰ পদূলি মুখত লক্ষ্মী আইৰ ফলীয়া লোকে ভেটা দিয়ে। গড়ভঙাৰ কাহিনীৰ মূল হ'ল কৃষ্ণৰ ঘুনুচা বাৰীলৈ যাত্ৰা। লক্ষ্মী আইৰ বিনা অনুমতিত কৃষ্ণই ঘুনুচাক বিয়া কৰাবলৈ গ'ল। আয়ে মানুহ পঠিয়ায়ো প্ৰভুক উভটাই আনিব নোৱাৰিলে। ফলত প্ৰভুৰ ওপৰত আই ক্ষুণ্ণ হৈ আছে গতিকে আয়ে প্ৰভুক ভিতৰ সোমাব নিদিয়ে। পদূলি মুখত

প্ৰকাণ্ড গড় মাৰি থৈছে যাতে প্ৰভু গৃহ প্ৰৱেশ কৰিব নোৱাৰে। গড়ৰ বাধা পাই মহাপ্ৰভু থমকি ৰ'ল। তেতিয়া আইৰ পক্ষৰ ভকত সকলে প্ৰভুক ক'লৈ গৈছিল, কিয় গৈছিল, ইমান দিন কিয় হ'ল আদি নানা প্ৰশ্ন কৰিলে। দুয়ো পক্ষৰ মাজত বাদ-বিবাদ হ'ল। শেষত আইৰ অনুমতি লবলৈ যোৱাত আয়ে ক'লে যে, মহাপ্ৰভুৱে যোৱাৰ সময়ত আইৰ পৰা তিনিকুৰি কপ চুৰ কৰি নিছে। গতিকে সেইখিনি পালেহে বাট এৰি দিব। উপাই নাপাই মহাপ্ৰভুৰ পক্ষই খাটলিৰ পৰা উলিয়াই এটা শংখ দিয়ে। মহাপ্ৰভুৰ পৰা শংখটো পাই আইৰ পক্ষই প্ৰৱেশৰ অনুমতি দিলে। লগে লগে দুয়ো পক্ষৰ ডেকাসকলে খণ্ডযুদ্ধ আৰম্ভ কৰিলে। গড় ভাঙি মহাপ্ৰভুৰ পক্ষ প্ৰৱেশ কৰিব বিচাৰে। তেতিয়া ডেকাসকলে হাত আৰু কঁকালত ধৰি টনা-টনি কৰি আনন্দ কৰিলে। পৰস্পৰে, পৰস্পৰৰ গাত আবিৰ, চন্দন আদি চটিয়াই ৰং তামচা কৰে। শেষত মহাপ্ৰভুৰ জয় হয়। তেতিয়া লক্ষ্মী আইৰ পক্ষই চোঁৱৰেৰে বিচি বিচি মহাপ্ৰভুক আগবঢ়াই নিয়ে। গোঁসাইক লৈ ৰজা, ডেকা ৰজা, বিষয়া, মেধী, গায়ন বায়ন সকলোৱে মণিকূটৰ চাৰিওফালে নাম-কীৰ্তন কৰি সাত পাক ঘূৰি মণিকূটত প্ৰৱেশ কৰে। এই সময়ছোৱাটো আবিৰ, চন্দন আৰু কুমকুম চটিয়াই সকলোৱে আনন্দ কৰে।

গোঁসাইক ৰজাঘৰীয়া নামঘৰত কিছুসময় ৰাখি ভাগৰ জুৰাই ৰজাঘৰীয়া বাসুদেৱ মূৰ্ত্তিক মণিকূটৰ ভিতৰৰ স্থায়ীবেদীলৈ নিব আৰু বাকী মেধীঘৰীয়া গোঁসাইসকলক লৈ নিজৰ নিজৰ খেলৰ লোকৰ সহায়ত গায়ন বায়ন লৈ মেধীসকলে নিজৰ নিজৰ আলয়লৈ নিব। তাতোগৈ একে নিয়মেৰে গড় ভাঙি মণিকূটত প্ৰৱেস কৰায়। এয়ে মায়ঙৰ সাতামপুৰুষীয়া গড়ভঙা উৎসৱ। গড়ভঙা স্থানত সেইদিনা এখন ডাঙৰ মেলা হয়।

**দৌল উৎসৱ**

মায়ঙৰ এই গোঁসাই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱৰ লগত জড়িত আন এটা অনুষ্ঠান হ'ল দৌল উৎসৱ বা ফাকুৱা। ফাগুন মাহৰ বিষ্ণুপদী সংক্ৰান্তিৰ গৌড় পূৰ্ণিমা তিথিত শ্ৰীশ্ৰীকৃষ্ণৰ দৌলযাত্ৰা। মায়ং ৰাজ্যতো প্ৰাপ্ত তথ্যানুযায়ী ১৫৯০ শক (খৃঃ ১৬৬৮) ৰ পৰাই উল্লিখিত গোঁসাই মূৰ্ত্তি কেইজনাক লৈ এই দৌল যাত্ৰাৰ পালনৰ সিদ্ধান্ত লৈছিল। ৰজা শৰশ্চ চন্দ্ৰ সিংহৰ ৰাজত্ব কালৰ পৰাই। দৌল যাত্ৰা ৰঙৰ উৎসৱ। ইয়াৰ মূল তাৎপৰ্য হৈছে প্ৰধানত পৰস্পৰৰ অন্তৰৰ কলুষ-কালিমা, হিংসা-দ্বেষ আঁতৰাই ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই ৰং-তামাচা কৰা। এই উৎসৱত সাম্প্ৰদায়িকতাৰ বীজ আঁতৰাই সকলোৰে মাজত এক সমন্বয়ৰ সেঁতু ৰচনা কৰা হয়।

মায়ং ৰাজ্যৰ ৰাজ পৰিয়ালৰ পৃষ্ঠপোষকতাত পূৰ্বকালৰে পৰা তিনিদিনীয়াকৈ এই দৌল উৎসৱ পালন কৰি অহা হৈছে। প্ৰথম দিনা অৰ্থাৎ গৌড় পূৰ্ণিমা তিথি দিনা ৰজা ঘৰত বাসুদেৱ মূৰ্ত্তিক পুৱাবেলাতেই মণিকূটৰ পৰা উলিয়াই আনি ব্ৰাহ্মণৰ দ্বাৰা স্নান কৰোৱাই মহাপ্ৰভুৰ শিৰত আবিৰ পিন্ধাই পূজা সেৱা কৰে। ভক্তসকলে গোটেই দিনটো শ্ৰীকৃষ্ণৰ "ঘুনুচা যাত্ৰা" (কীৰ্তন পুথিৰ) অংশ পাঠ কৰি নাম-প্ৰসংগ কৰে। সন্ধিয়া ভেড় পুৰি (বেদীৰ কিছু আঁতৰত শুকান কল-মাৰলীৰে সজা এটা অস্থায়ী গৃহত এটা ভেড়া ছাগলী নাইবা এটা বগা পঠা ছাগলী বান্ধি থৈ ব্ৰাহ্মণে বৈদিক মন্ত্ৰ জপ কৰি পূজা কৰে। পূজাৰ অন্তত ছাগলী বা ভেড়াটো এৰি দি ঘৰটোত জুই লগাই দিয়ে।) বাসুদেৱ মূৰ্ত্তিক পুনৰ মণিকূটত স্থাপন কৰা হয়।

দ্বিতীয় দিনাও একেদৰে ৰাজপুৰোহিতে গোঁসাই মূৰ্ত্তিক (বাসুদেৱ মূৰ্ত্তিক) পুনৰ মণিকূটৰ পৰা উলিয়াই আনি স্নান কৰোৱাই তাৰ পিছত দৌলৰ কাষত অস্থায়ীকৈ সজা বেদীত স্থাপন কৰি ৰাজ পুৰোহিতে হোম-যজ্ঞ, ধূপ-দীপ, নৈবেদ্য আদিৰে পূজা কৰে। ভকত বৃন্দই পুনৰ মহাপুৰুষ শংকৰদেৱৰ কীৰ্তন ঘোষাৰ 'ঘুনুচা যাত্ৰা' অংশ পাঠ কৰে। পাঠৰ অন্তত নাম-প্ৰসংগ কৰি আবেলি মহাপ্ৰভুক দৌলত তোলে।

দৌল, নিৰ্মাণৰ এক নিৰ্দিষ্ট নিয়ম আছে। দৌলটো ওখকৈ নিৰ্মাণ কৰি তাত পিঠাগুৰিৰে মৰল সাজি লয় পুৰোহিতে। ইয়াৰ চাৰিওফালে চাৰিজোপা কলগচ পোতা থাকে। প্ৰতিজোপা কলতেই কলদিল সহ ভৰা থোক থকাটো নিয়ম। ই বসুমতীক শস্য সম্ভৰা কৰাৰ প্ৰতীক। বসুমতীয়ে অধিক শস্য উৎপাদন কৰিলেহে কৃষকৰ সুখ-স্বাচ্ছন্দ্য অটুট থাকিব। গোঁসাই মূৰ্ত্তিক দৌলত তোলাৰ সময়ত গায়ন-বায়নে খোল আৰু ভোৰতাল লৈ নাম প্ৰসংগ কৰি কৰি দৌলৰ চাৰিওফালে সাত পাক ঘূৰিহে দৌলত তোলে। আয়তীসকলে মহাপ্ৰভুৰ ঘুনুচা যাত্ৰাৰ নামেৰে মুখৰিত কৰি তোলে। সেই সময়ছোৱাত ভকত বৃন্দই মান্যানুসাৰে পৰস্পৰে পৰস্পৰৰ গালৈ আবিৰ কুমকুম আদি চটিয়াই ৰং-ৰহইচ, আনন্দ-উৎসৱ আদি কৰে। সন্ধ্যা মণিকূটত

স্থাপন কৰে।

তৃতীয় দিনাও একেদৰে পুৱা বেলাতেই গোঁসাইক মণিকূটৰ পৰা আনি স্নান কৰোৱাই পূজা-পাৰ্বন কৰে। গায়ন-বায়ন, ভকত-ভকতনী সকলে নাম প্ৰসংগ কৰি পৰম্পৰে পৰম্পৰৰ গাত আবিৰ, কুম-কুম সানি আনন্দ উৎসৱ কৰে। সন্ধিয়া গোসাঁই মূৰ্ত্তিক খাটলিত তুলি গায়ন-বায়ন, ভকতবৃন্দই নগৰ ভ্ৰমণৰ উদ্দেশ্যে ওলায়। গোঁসাইৰ ভ্ৰমণত কালত পদযাত্ৰা কৰা সমদলকাৰীয়ে খোল, ভোৰতাল আদি বাদ্যৰ সহায়ত মহাপ্ৰভুৰ গুণানুকীৰ্তন কৰি যায়। মহাপ্ৰভু যোৱাৰ পথত প্ৰতিঘৰ লোকেই নিজৰ নিজৰ পদূলিমুখ সাৰি-মচি চিকুন কৰি কলপুলি পুতি তাৰ তলত ধূপ-দীপ নৈবেদ্যৰে মহাপ্ৰভুৰ চৰণত শৰণ লয়। এই সময়ছোৱাতো সকলোৱে ফাকু চটিয়াই মহা আনন্দ কৰে। নগৰ পৰিভ্ৰমণৰ অন্তত মহাপ্ৰভুক পুনৰ উভটাই আনি মণিকূটৰ সমুখত গড়ভাঙি চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰি মণিকূটৰ ভিতৰৰ স্থায়ী বেদীত মহাপ্ৰভুক স্থাপন কৰে। উল্লেখযোগ্য যে, মহাপ্ৰভুৰ এই দৌল যাত্ৰাৰ নগৰ পৰিভ্ৰমণৰ প্ৰথাটো ক্ৰমান্বয়ে নাইকীয়া হ'ব ধৰিছে। বাকী সকলো নিয়ম পূৰ্ববৎ পালন কৰি আহিছে।

মায়ং ৰাজ্যৰ এই ৩৪৯ বছৰীয়া গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱৰ অন্তৰালত আন এক তাৎপৰ্য নিহিত হৈ আছে, সেইটো হ'ল বিভিন্ন জনগোষ্ঠীৰ মাজত এক সমন্বয় স্থাপন কৰা। মায়ং ৰাজ্যত সুদূৰ অতীতৰে পৰা ডিমাছা কছাৰী বংশোদ্ভৱ এটা পৰিয়ালে ৰাজত্ব কৰি আহিছে। এই বংশৰ আদি ৰজা শূইনত সিংহই বিয়া কৰাইছিল ইয়াতে পূৰ্বৰে পৰা ৰাজত্ব কৰি অহা কছাৰী ৰজা আৰিমত্তৰ পুত্ৰ মায়ামত্তৰ বংশৰ জয়সিংহৰ কন্যা ফুলেশ্বৰীক। ফলত দুটা কছাৰী বংশৰ সমন্বয়ৰ মাজেৰে দুটা ফৈদৰ সমন্বয় সাধন হৈছিল। পিচলৈ শৰশ চন্দ্ৰ সিংহৰ ৰাজত্ব কালত এই বংশৰ তিনিটা ফৈদে (চাৰিভাগী, নভাগী আৰু চৈধ্যভাগী) বৈষ্ণৱ ধৰ্মত শৰণলৈ কোচ হয়। আনহাতে, কাৰ্বি, নাথ (যোগী), কোচ, হীৰা, কমাৰ, কুমাৰ, কঁহাৰ, মৰিয়া, কৈৱৰ্ত, বাঢ়ৈ, কলিতা, গণক, ব্ৰাহ্মণ, গোসাঁই, লালুং (তিৱা) আদি বিভিন্ন সম্প্ৰদায়ৰ লোকে এই মায়ং ৰাজ্যত বাস কৰিছিল। এই সম্প্ৰদায় সমূহৰ মাজত যাতে কোনো ধৰণৰ হাই-কাজিয়া লাগি সাম্প্ৰদায়িক প্ৰভাৱে গা কৰি উঠিব নোৱাৰে তাৰ প্ৰতি ৰজাই সততে দৃষ্টি ৰাখিছিল। তাৰ কাৰণে সকলো সম্প্ৰদায়ৰে যোগ্য লোকক মেধী, বিষয়া, বাংঠে, ঠাকুৰীয়া, তামুলী, ছত্ৰধৰ, ধনভৰালী, ডেকা ৰজা আদি বিষয়বাবত নিযুক্তি দি লৈছিল। ব্ৰাহ্মণ সকলৰ মাজৰ পৰা যোগ্যজনক ৰাজ পুৰোহিত পদত নিযুক্তি দিছিল। নাথ (যোগীৰ) যোগ্যবান তিনিজনক (পিচলৈ ৰণজিৎ সিংহৰ দিনত আৰু এজনক) গোঁসাই মূৰ্ত্তি দি পালনৰ ব্যৱস্থা কৰি দিছিল। বিশেষকৈ গোসাঁই উলিওৱাৰ সময়ত এই বিষয়ববীয়া সকলে নিজৰ নিজৰ কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰাৰ মাধ্যমেৰে সকলোৰে মাজত এক ভাতৃত্ববোধ জন্মি উঠিছিল।

মায়ঙৰ এই গোসাঁই উলিওৱা উৎসৱে এই তিনি শতাব্দীৰো অধিক কাল মায়ং অঞ্চলৰ অন্তৰ্গত সমূহ জনগোষ্ঠীৰ মাজত এক সমন্বয়ৰ সেতু ৰূপে কাৰ্য সম্পাদন কৰি আহিছে। বৰ্তমান মায়ঙত পূৰ্বৰ সেই সকলো ফৈদ নাথাকিলেও যিখিনি আছে সেই সকলৰ লগতে বঙালী, নেপালী, মুছলমানকে আদি কৰি বিভিন্ন জনগোষ্ঠীয়েও ইয়াতেই স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছে। গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱৰ সময়ত সকলো জনগোষ্ঠীৰে এক সাংস্কৃতিক সমন্বয় ঘটাটো এটা শুভ লক্ষণ। ই নিশ্চয় ভৱিষ্যত প্ৰজন্মৰ পথ প্ৰদৰ্শক আৰু প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

**সামৰণি ঃ**

ঐতিহাসিক ৰজাঘৰীয়া শাসনৰ ক্ষমতাৰে পৰম্পৰাগত ভাৱে চলি থকা গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱটো বৰ্তমান ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ যুগত ৰাইজে মেল পাতি যোৱা ই ১৯৯২ চনৰ পৰা ইয়াক সাংস্কৃতিক দিশৰ সাৰ্বজনীন উৎসৱৰ অধীনলৈ আনি উদযাপন সমিতি গঠন কৰি উৎসৱটো চলাই থকা দেখা গৈছে। ই অৱশে শুভ লক্ষণ। ৰজা, ৰাজমেধী আৰু মেধীসকলে ব্যক্তিগতভাৱে একোটিকৈ মন্দিৰ নিৰ্মাণ কৰি নিজা নিজা দায়িত্বত ৰখা মূৰ্তি কেইজনা বছৰৰ সৰহভাগ দিনতেই সেৱা পূজা কৰি প্ৰতিপালন কৰি থকাৰ উপৰিও অতীজৰে পৰা নিৰ্ধাৰিত হৈ থকা প্ৰত্যেক নৱবৰ্ষৰ ৪, ৫ আৰু ৬ ব'হাগত তিনিদিনীয়াকৈ ১ম দিনা মায়ং ৰাজ্যৰ ৰজাৰ ৰাজচ'ৰাত, দ্বিতীয় দিনা হাতীমুৰীয়া গাঁৱৰ বামুণ গোসাঁই থানত আৰু তৃতীয় দিনা বুঢ়ামায়ং গাঁৱৰ ভগৱতী থানত তেওঁলোকৰ পাঁচজনা গোসাঁই উলিয়ায়। গোসাঁই উলিওৱা উৎসৱ উপলক্ষে প্ৰত্যেক স্থানতে মেলাও বহে। শেষৰ দিনা ৰজাচ'ৰাত

গড়ভঙা উৎসৱ এটাও হয়। ৰজাদিনীয়া এই গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসবটো কোনো কালে পতিত পৰা নাই। প্ৰবাদ আছে— এই গোসাঁই উলিওৱা মেলাটো এৰি পেলালে বোলে মায়ং ৰাজ্যৰ ৰজা আৰু ৰাজ্যবাসীৰ নানা অপায় অমঙ্গল, মাৰি মৰক হৈ ৰাজ্যখন উচ্ছন্ন হ'ব। মায়ংবাসী ৰাইজে অৱশ্যে এই কথা বিশ্বাসো কৰে। সেইবাবে উৎসবটো বন্ধ কৰি ৰখা মায়ংবাসী ৰাইজৰ ক্ষমতাৰ বাহিৰত আৰু কোনো যুক্তিও থাকিব নোৱাৰে। আজিৰ প্ৰগতিৰ যুগত ঐতিহাসিক তথা পুৰণিকলীয়া এনে ধৰণৰ সংস্কৃতি আৰু ঐতিহ্য ৰক্ষা তথা সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰেও সহায় সহযোগিতা আগবঢ়াই আহিছে। এই উৎসবটো অঞ্চলবাসী ৰাইজ, পৰম্পৰাগতভাৱে আহি থকা ৰজা, ডেকা ৰজা, তামুলী বাংঠাই প্ৰমুখ্যে গোসাঁইঘৰীয়া মেধী, ৰাজমেধী, বিষয়াসকলে আগতকৈ ভৱিষ্যত কালৰ বাবে কেনেকৈ জাকতজিলিকা ৰূপত গঢ় দি দশোদিশে প্ৰচাৰ কৰি মায়ঙৰ গৌৰৱ কঢ়িয়াই আনিব পাৰি তাৰ চেষ্টা কৰাহে আৱশ্যক বুলি ভাবো। এই ক্ষেত্ৰত অসম চৰকাৰৰ সাংস্কৃতিক বিভাগলৈও আমি দৃষ্টি আকৰ্ষণ কৰিলো যাতে মায়ঙৰ এই উৎসৱটোৰ প্ৰতি পাৰ্য্যমানে সহায়ৰ হাত আগবঢ়োৱাত কোনো ত্ৰুটি নকৰে। কাৰণ এই উৎসবটো কেৱল মায়ঙৰেই নহয় অসমৰেই গৌৰৱ।

**প্ৰাচীন মায়ং ৰাজ্যৰ ৰজাসকলৰ নাম আৰু ৰাজত্বকাল**

সংগ্ৰাহক ঃ উৎপল নাথ

| নং | নাম | শকাব্দ | ৰাজত্বকাল |
|---|---|---|---|
| ১। | শূইনত সিংহ | ১৫২৯ | ২০ |
| | | ১৫৩৮ | ১১ |
| ২। | মুহিৎ সিংহ | ১৫৪৯ | ৭ |
| ৩। | মনিৰাম সিংহ | ১৫৫৫ | ৮ |
| ৪। | কৃষ্ণ সিংহ | ১৫৫৯ | ৫ |
| ৫। | অনন্ত সিংহ | ১৫৬৫ | ১ |
| ৬। | সিঙ্গিৰাম সিংহ | ১৫৬৬ | ৮ |
| ৭। | কমলেশ্বৰ সিংহ | ১৫৭৩ | ৯ |
| ৮। | দধিৰাম সিংহ | ১৫৮২ | ৩ |
| ৯। | শনিৰাম সিংহ | ১৫৮৯ | ৮ |
| ১০। | শৰশ্চ চন্দ্ৰ সিংহ | ১৬১৫ | ২৫ |
| ১১। | প্ৰেম সিংহ | ১৬২১ | ৩১ |
| ১২। | গোবিন্দ সিংহ | ১৬৩২ | ১১ |
| ১৩। | কেশৱ সিংহ | ১৬৩৯ | ৭ |
| ১৪। | বিদিত সিংহ | ১৬৪৩ | ৬ |
| ১৫। | ভেম সিংহ | ১৬৫৪ | ১১ |
| ১৬। | কৃৰ্ত্তি সিংহ | ১৬৬৪ | ১০ |
| ১৭। | অমৰ সিংহ | ১৬৭২ | ৮ |
| ১৮। | নকুল সিংহ | ১৬৭৪ | ২ |
| ১৯। | ভগদত্ত সিংহ | ১৬৮২ | ৮ |
| ২০। | গোপাল সিংহ | ১৬৮৮ | ৬ |
| ২১। | ৰণজিৎ সিংহ | ১৬৯৩ | ৫ |
| ২২। | মহত সিংহ | ১৬৯৮ | ৫ |
| ২৩। | শিৱ সিংহ | ১৭০১ | ৫ |
| ২৪। | চান্দিত সিংহ | ১৭১০ | ৯ |
| ২৫। | বলিত নাৰায়ণ সিংহ | ১৭১৮ | ৮ |
| ২৬। | অমৃত সিংহ | ১৭২৫ | ৭ |
| ২৭। | ভোগালী সিংহ | ১৭৩২ | ৭ |
| ২৮। | পদ্মৰাম সিংহ | ১৭৪০ | ৮ |
| ২৯। | লুহিৎ সিংহ | ১৭৪৭ | ৭ |
| ৩০। | কুলাৰাম সিংহ | ১৭৫৭ | ১০ |
| ৩১। | লক্ষীৰাম সিংহ | ১৭৬৬ | ৯ |
| ৩২। | প্ৰতাপ নাৰায়ণ সিংহ | ১৭৭৪ | ৮ |
| ৩৩। | বন সিংহ | ১৭৮৩ | ৯ |
| ৩৪। | নাৰায়ণ সিংহ | ১৮০২ | ২০ |
| ৩৫। | বকত সিংহ | ১৮২০ | ১৮ |
| ৩৬। | ৰহন সিংহ | ১৮৩৪ | ১৪ |
| ৩৭। | বানেশ্বৰ সিংহ | ১৮৭১ | ২১ |
| ৩৮। | মিনাৰাম সিংহ | ১৮৯২ | ২৫ |
| ৩৯। | ঘন সিংহ | ১৯০২ | ২৫ |
| ৪০। | তৰণী কান্ত সিংহ | ১৯২৭ | |

*টোকা ঃ তালিকাখন মায়ঙৰ 'ৰজাঘৰীয়া গইদ'ত যি ধৰণে উল্লেখ আছে ঠিক সেই ধৰণেই সংগ্ৰহ কৰা হৈছে। শকাব্দ আৰু ৰাজত্বকালৰ হিচাপবোৰত (সকলোতে নহয়) কিছু অমিল থকা যেন থাকিলেও 'গইদ'ত সেই ধৰণেৰে উল্লেখ আছে বাবেই সংশোধনৰ পৰা বিৰত থকা হ'ল। —সংগ্ৰাহক।* ◆◆

(মঞ্চখনক ক'লা আঁৰ-কাপোৰ এখনেৰে দুভাগত বিভক্ত কৰি ল'ব লাগিব। আঁৰ কাপোৰৰ আঁৰত পাঁচজন হালধীয়া বা ৰঙা বস্ত্ৰ পৰিহিত সন্ন্যাসীয়ে পাঁচটা শংখ লৈ হাতে হাতে এটা এটা ডম্বৰু লৈ সাজু হৈ থাকিব। আঠুকাঢ়ি। মাজত থাকিব এপাত ত্ৰিশূল। ঘোষণাৰ লগে লগে আঁৰ কাপোৰ উঠিব। শংখ, ঘণ্টা বাজি উঠিব। ওঁম ধ্বনি থাকিব। কিছু সময়ৰ পাছত লাহে লাহে আঁৰ কাপোৰ পৰিব আৰু আগে আগে এজন টুৰিষ্ট গাইড, পাছে পাছে এজন বিদেশী পৰ্যটক আৰু এগৰাকী মহিলা পৰ্যটকৰ প্ৰৱেশ হ'ব।)

গাইড ঃ আহক। আহক

পৰ্যটক ঃ OK, OK.

গাইড ঃ এইখনেই মায়ঙৰ কাছশিলা পাহাৰ। পাহাৰৰ এই চূড়াতেই আছে এইখন শিৱ আশ্ৰম। প্ৰাচীনতাৰ অঙ্গীকাৰ লৈ আজি শ শ বছৰ ধৰি মায়ঙীয়া সভ্যতা আৰু সংস্কৃতিৰ সাক্ষী হৈ আছে এই আশ্ৰমখন। সৌ যে প্ৰাচীন শিলাখণ্ডটো দেখিছে—

পৰ্যটক ঃ Yea, Yea.

গাইড ঃ আহক, আগুৱাই আহক। চাওঁক, প্ৰায় দশম শতিকাতে নিৰ্মিত এয়া হৰ-গৌৰীৰ যুগলমূৰ্তি। Image of Lord Shiva and Parvati. আজিৰ পৰা কেইবাশ বছৰৰ আগতে এই শিলাখণ্ডত কিমান নিৰ্খুতভাৱে কাটিছিল এই মূৰ্তিটো চাওঁক।

মহিলা পৰ্যটক ঃ হয়। সঁচাই ধুনীয়া।

গাইড ঃ কিমান নিপুণ আছিল সেই অজ্ঞাত ভাস্কৰ্যশিল্পীগৰাকী এবাৰ অনুভৱ কৰক।

পৰ্যটক ঃ Yea, Really, Really amazing.

গাইড ঃ এই পাহাৰৰ চূড়াৰ পৰা এবাৰ চকু ফুৰাই চাওঁকচোন এইখনেই মায়ং। (দূৰবীণেৰে পৰ্যটকে দূৰলৈ চাব) যাদুৰ




# মোহনীয় মায়ং

(যাদুৰ দেশ মায়ঙৰ অনিৰ্বচনীয় সৌন্দৰ্য তথা অনন্য আকৰ্ষণবোৰৰ ওপৰত আধাৰিত এখন মঞ্চালেখ্য)

ড° উৎপল নাথ

দেশ। পঞ্চদেৱতাৰ দেশ। নানা জাতি, জনগোষ্ঠীয়ে মিলি একতাৰে গঢ়ি তোলা সমন্বয়ৰ দেশ এইখন। সৰু সৰু পাহাৰ-টিলা, নৈ-বিল-জলাশয়ৰ সমাহাৰে প্ৰকৃতিয়ে নিজ হাতে গঢ়ি দিয়া সেউজীয়া অৰণ্যৰ দেশ এইখন। এই দেশৰ চুকে-কোণে আছে ভালেমান পুতভূমি, প্ৰাচীন থান-মোকাম, মঠ-মন্দিৰ। এক কথাত আপুনি শত-তীৰ্থৰ দেশ বুলিও ক'ব পাৰে এই মায়ংখনক।

পৰ্যটক : (দূৰবীণেৰে চাই) Yea, Yea, Very Interesting, Really amazing.

মহিলা : (দূৰবীণেৰে চাই) সঁচাকৈ মনোৰম কিন্তু ঠাইখন।

গাইড : এই পাহাৰৰ দাঁতিয়েদি বৈ যোৱা এইখন চিৰ প্ৰবাহমান বৰলুইত। ব্ৰহ্মাৰ মানস পুত্ৰ। ব্ৰহ্মপুত্ৰ। এই নদীৰ নিৰবধি সোঁতৰ সৈতেই একাকাৰ হৈ আছে মায়ংবাসীৰ সন্ধখ-দুখ-সপোন সকলো। কেতিয়াবা ই মায়ংবাসীৰ বাবে কঢ়িয়াই আনিছে সুখ, কেতিয়াবা দিছে দুখ। উত্তৰ-পশ্চিম কোণত সৌ যে পাহাৰৰ টিলাটো লুইতৰ পাৰতে থিয় হৈ আছে দেখিছে? এইফালে চাওঁক, এইফালে চাওঁক।

পৰ্যটক : Yea, Yea. I have seen.

মহিলা : দেখিছো। দেখিছো।

গাইড : তাতেই আছে এখন নৰসিংহ আশ্ৰম।

পৰ্যটক : Narashimha?

গাইড : Yes, an incarnation of Lord Vishnu for Killing Hiranyakashipu. বাইদেউ, বিবাহসূত্ৰে আপুনি আমেৰিকাৰ বোৱাৰী হ'লেও জন্মসূত্ৰেতো আপুনি অসমীয়া। এগৰাকী ভাৰতীয়। আপুনি নিশ্চয় বুজি পাইছে?

মহিলা : হয়, পাইছো। এবোঁ বুজি পায়। আপুনি কৈ যাওঁক।

গাইড : সেই আশ্ৰমখনৰ যি পুৰাতনীয়া সৌন্দৰ্য, যি নিৰ্জনতা, Fascinating View আপুনি মুগ্ধ নহৈ নোৱাৰে। সদায় হাত বাউলী মাতিব আপোনাৰ সেই আশ্ৰমৰ নিৰ্জন সৌন্দৰ্যই।

পৰ্যটক : OK, OK

গাইড : সেই আশ্ৰমৰ টিলাটোৰ সিপাৰেই আছে মায়ঙৰ এখনি সৰু গাঁও— চনকা। এখনি পাহাৰীয়া গাঁও। লুইতপৰীয়া গাঁও। আজিৰ একবিংশ শতিকাতো সেই গাঁৱলৈ যাবলৈ কোনো সুচল বাট-পথ নাই। পাহাৰৰ সেউজীয়া আৰু পানীৰ নীলাৰে আগুৰি ৰাখিছে গাঁওখন। অথচ মানৱ জাতিৰ মায়ঙীয়া সভ্যতাৰ বহু প্ৰাচীন চানেকিৰে সেই গাঁও সমৃদ্ধিশালী। প্ৰায় ৮ম-৯ম শতিকাৰ অন্তৰ্গত মহাপ্ৰভু শিৱ, পাৰ্বতী আৰু গণেশৰ শৈল মূৰ্তিকে ধৰি তাত আছে ভালেমান শৈলখোদিত প্ৰাচীন ভাস্কৰ্য আৰু আছে এটা শিলৰ প্ৰাচীন গুহা।

পৰ্যটক : গুহা? What does it mean?

মহিলা : It means cave.

গাইড : হয় Cave. A huge cave is there. আদিম মানৱৰ বাসস্থানৰ বাবে উপযোগী এটা ডাঙৰ গুহা আছে তাত।

পৰ্যটক : OK, OK

গাইড : তাৰ পাছত নৰসিংহ আশ্ৰমৰ সেই টিলাটোৰ পৰা যে আৰম্ভ হৈছে সেউজীয়া পাহাৰখন সেইখনেই মায়ং পাহাৰ। স্থিতপ্ৰজ্ঞৰ দৰে থিয় দি থকা এই সুউচ্চ পাহাৰখন মায়ংবাসীৰ সাহসৰ প্ৰতীক। এই পাহাৰৰ প্ৰতি চপৰা শিলেই কথা ক'ব পাৰে। গাই শুনাব পাৰে আপোনাক গান মায়ঙৰ অতীত ঐতিহ্যৰ গান। পাহাৰৰ দাঁতিত সেই যে সৰু গাঁওখন বুঢ়ামায়ং গাঁও সেইখন তাতেই

আছিল মায়ং ৰাজ্যৰ পুৰণা ৰাজধানী এতিয়া সেই গাঁৱতেই আছে এছিয়াৰ ভিতৰতে সৰ্বদীৰ্ঘতম শিলালিপিখন The longest Stone Inscription in Asia.

পৰ্যটক : (দুৰবীণেৰে চাই চাই) OK, OK

মহিলা : কিমান দীঘল বাৰু সেই শিলালিপিখন?

গাইড : 3.85 meters long. এই শিলালিপিখনৰ কিছু উত্তৰলৈ এবাৰ চাওঁকচোন। এটা নিজৰা আছে তাত। বৰঘাট নিজৰা। An everflowing stream, name is Barghat.

পৰ্যটক : OK

গাইড : সেই নিজৰাৰ মাজৰ এটা শিলাখণ্ডতে আছে প্ৰায় দ্বাদশ শতিকাতে খোদিত এটা অপূৰ্ব গণেশৰ মূৰ্ত্তি a rock curving image of Lord Ganesha. নিজৰাটোৰ ঠিক পাৰতে আছে ৰতিক্ৰীড়াত নিমগ্ন মহাপ্ৰভু শিৱ আৰু মা পাৰ্বতীৰ অন্য এক দৃষ্টিনন্দন শৈল-ভাস্কৰ্য। সেই ঠাইতে আছে দেৱী কেচাইখাইতীৰ প্ৰধান সুতভূমি। মায়ঙৰ অতি প্ৰাচীন তীৰ্থস্থান সেইখন। শক্তিৰ অধিষ্ঠাত্ৰী দেৱীক সন্তুষ্ট কৰাৰ বাবে মায়ঙীয়া তান্ত্ৰিকসকলে এসময়ত হেনো তাত মানুহ পৰ্যন্ত বলি দিছিল।

পৰ্যটক : Yea! Is it true? (দুৰবীণটো আঁতৰাই)

গাইড : I do not know Sir, কিন্তু জনশ্ৰুতিয়ে সেই টোকে কয়। তালৈ গ'লেও আপোনালোকৰ তেনে অনুভৱেই হ'ব পাৰে। এতিয়াও বৰ জয়াল জয়াল লাগে সেই ঠাইখন।

মহিলা : আমি তালৈ যাব পাৰিমনে?

গাইড : নিশ্চয়, নিশ্চয় লৈ যাম তালৈ। কিন্তু তাৰ আগতে মই আপোনালোকক দেখুৱাম মায়ঙৰ এই সৰু সৰু গাঁওবোৰৰ মাজত লুকাই থকা অনিৰ্বচনীয় সংস্কৃতিবোৰৰ বৈচিত্ৰ্যতা। পুৰাতনীয়া লোক কৃষ্টি আৰু লোক নৃত্য গীতৰ সাধনাৰে আজিও পৰিপুষ্ট এই গাঁওবোৰ, গাঁৱৰ সহজ-সৰল মানুহবোৰ। এখন সংস্কৃতিবান সহজ-সৰল গ্ৰাম্য সমাজৰ প্ৰতিচ্ছবি দেখা পাব আপোনালোকে গাঁওবোৰৰ মাজত। বাইদেউ, মোৰ কথাবোৰ শুনি আপোনলোকে বাৰু আমনি পাইছেনেকি? মই ঠিক ভালকৈ ক'ব পৰা নাই ছাগে। Isn't it, Sir?

পৰ্যটক : Oh, No. You are smart. Really, Really, I want to listen more about this magical land.

মহিলা : ঠিকেই কৈছে এওঁ। আপুনি কিন্তু সঁচাকৈ বৰ স্মাৰ্ট। খুব সুন্দৰকৈ কথা ক'ব পাৰে।

গাইড : Thank You বাইদেউ। Thank you Sir. কাছশিলাৰ এই চূড়াত উঠিয়েই আৰু দুটামান কথা আপোনালোকক ক'ব লাগিব। তাৰ পাছতহে মই আপোনালোকক গাঁৱলৈ লৈ যাম। চাওঁক, পশ্চিমলৈ চাওঁকচোন এবাৰ। মায়ং পাহাৰৰ সিপাৰে ঠিক গাতে লাগি থকাৰ দৰে আছে সৰু সৰু কেইবাটাও পাহাৰ। লুইতৰ পাৰত। দেখিছে? সেই ঠাখনৰ নাম কাজলিচকী। বহু ইতিহাস বিজড়িত হৈ আছে সেই ঠাইখনৰ লগত। Sir, have you ever read the history of Assam?

পৰ্যটক : Yea, I have read, I have read.

মহিলা : হয়, এওঁ পঢ়িছে। আপুনি কওঁক। এওঁ বুজি পাব।

গাইড : Sir, অসম বুৰঞ্জীত আছে যে অস্তিত্ব ৰক্ষাৰ বাবে আহোমসকলে মোগলৰ লগত হেনো ১৭ বাৰকৈ যুদ্ধত অৱতীৰ্ণ হৈছিল। Sir, I think, you know about the famous battle of Sharaighat?

পৰ্যটক : Yea, I know, I know.

গাইড : সেই শৰাইঘাটৰ যুদ্ধকে ধৰি মুঠ ১৭ খন যুদ্ধৰ ১৩ খনতে আহোম সৈন্যই ব্যৱহাৰ কৰিছিল এই কাজলিচকী। ব্ৰহ্মপুত্ৰৰ বুকুৰে উজাই আহি থকা পৰাক্ৰমী মোগল সৈন্যক ভেটিবলৈ এই কাজলিচকীতে আহোম সৈন্যই এক বিশাল সমৰ সজ্জাৰে চাউনী পাতিছিল। আজি বেছিদিন হোৱা নাই সেই ঠাইতে উদ্ধাৰ হৈছে গুলী বাৰুদৰ এক বিশাল ভাণ্ডাৰ। আহোম যুগৰ। হাজাৰ হাজাৰ শৈল নিৰ্মিত বৰতোপৰ গুলী ঠাহ খাই আছে সেই গুলী ভাণ্ডাৰটোত। লৈ যাম মই আপোনালোকক তালৈ।

পৰ্যটক : OK. We will go there?

গাইড : নিশ্চয়, নিশ্চয় মই লৈ যাম। বৰ মনোৰম সেই ঠাইখন। সেই ঠাইতেই মহাবাহু ব্ৰহ্মপুত্ৰৰ সৈতে লগ লাগিছে কলং নৈ। আৰু কি জানে? আৰু কি জানে? এই কলং-ব্ৰহ্মপুত্ৰৰ সংগমস্থলীতে ১৪ শতিকাৰ এজন পৰাক্ৰমী জনজাতীয় বীৰ জোঙালবলহুক নিৰস্ত্ৰ অৱস্থাত খুচি খুচি মাৰিছিল কছাৰী সৈন্যই জাতিবাঁহৰ জোঙেৰে।

পৰ্যটক : Oh! It is a matter of sadness!

গাইড : বাইদেউ, আপুনিটো সেই কাহিনীটো জানে?

মহিলা : হয়, মই পঢ়িছো অলপ।

গাইড : আপুনি কৈ শুনাব এখেতক। ভাল পাব শুনি।

মহিলা : ঠিক আছে। মই নিশ্চয় কৈ শুনাম।

গাইড : এইবাৰ কলঙৰ বুকুৰেদি পশ্চিমৰ পৰা পূবলৈ উজাই আহি থাকক। আহি থাকক। আহি থাকক। আপুনি এইবাৰ পাব বহা পাহাৰ। পূব দিশত সৌখন দেখিছে? সেই পাহাৰটোতে আছে এটা বিশাল আকৃতিৰ শৈল গণেশ। A huge image of Lord Ganesha, the God of wisdom and success, 10.5 feet high. বাইদেউ, এনে লাগে যেন এই বিশাল আকাৰৰ গণেশ মহাপ্ৰভুৱেই আজি যুগ যুগ ধৰি প্ৰহীৰৰ দৰে মায়ংবাসীক ৰক্ষা কৰি আহিছে। মায়ঙৰ প্ৰত্নতত্ব, অতীত-ঐতিহ্য সম্পৰ্কে আৰু বহু কথা ক'ব লগা আছে। নানান লোক কথা, লোক বিশ্বাসৰ কাহিনী-উপকাহিনীৰে ভৰপূৰ এই মায়ং ৰাজ্য। সময় পালে সেইবোৰ পাছত কম আপোনালোকক। এই পাহাৰৰ চূড়াৰ পৰাই পূবলৈ চাই দিয়ক এবাৰ। আহক, এইখিনিলৈ আহক। এইখিনিৰ পৰা চাওঁক।

পৰ্যটক : OK, Ok. (দূৰবীণেৰে চাই থাকিব)

গাইড : দেখাত ঠিক এখন সৰু নৈৰ দৰেই ধুনীয়া, জীৱন্ত কিন্তু শান্ত-শিষ্ট সেইখন পকৰীয়া বিল আৰু অলপ পূবলৈ আছে দৈপড়া বিল তাৰ পৰা আৰু অলপ পূবত আছে মনহা বিল আৰু দেবিকা বিল উত্তৰ বৈ আছে এইখন বিশাল ব্ৰহ্মপুত্ৰ- পশ্চিমৰ পৰা দক্ষিণলৈ আছে চিৰ প্ৰবাহমান কলং নৈ। এনেদৰে নৈ-বিল জলাশয়ে চৌদিশ আগুৰি ৰখা এই মনোৰম ভূমিখণ্ডই মায়ং। প্ৰাচীন মায়ং ৰাজ্য। The land of black magic. Magical Kingdom. পাহাৰৰ দাঁতিত, ৰাস্তাৰ কাষে কাষে ওখ ওখ ঠাইবোৰত সেইবোৰ সৰু সৰু গাঁও। দ দ ঠাইবোৰত সেউজীয়াকৈ সেইবোৰ বিশাল বিশাল ধাননি পথাৰ। ঋতু পৰিবৰ্তনৰ লগে লগে মায়ঙৰ এই পথাৰবোৰেও ধৰণ সলায়। শীতকালৰ এই সেউজীয়া পথাৰবোৰ বৰ্ষাকালত হৈ পৰে একো একোখন সৰু সৰু সাগৰ। গাঁওবোৰ হৈ পৰে একো একোটা দ্বীপ। মায়ঙৰ যাদুৰ দৰেই মায়াময় মায়ঙৰ প্ৰকৃতি, মায়ঙৰ ভূগোল। বাইদেউ—

মহিলা : (দুৰবীণত ব্যস্ত)

গাইড : বাইদেউ...

মহিলা : Oh! Sorry. বেয়া নাপাব। আমি বিমুগ্ধ হৈ পৰিছো।

গাইড : আমি এতিয়া গাঁৱলৈ যাম। প্ৰথমে ক'লৈ যাব, কি চাব কওঁক?

মহিলা : এওঁ যি ভাল পায়।

পৰ্যটক : Ok, first we want to meet a village Magician there.

গাইড : ঠিক আছে, মই আপোনালোকক প্ৰথমে ৰজা মায়ঙৰ শচীন্দ বেজৰ ওচৰলৈ লৈ যাম। টিপি বেজ বুলি কয় গাঁৱৰ মানুহে তেখেতক। আহক ইয়াত আৰু দেৰি নকৰো। আহক। (আটাইকেইজনৰে প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। লগে লগে বীণৰ সুৰ বাজিব। মঞ্চত এটা মুঢ়া সজোৱা থাকিব বুঢ়া বেজ এজনৰ প্ৰবেশ। কান্ধত বজাৰৰ মোনা থাকিব।। এই দৃশ্যটো প্ৰতীক ধৰ্মী হ'ব।)**

বেজ : হেৰৌ শুনিছ? বজাৰ বুলিবলৈ একো নাই। জুই-চাই দাম। হেৰৌ ক'ত গ'লি ও? অ' গণেশ...

গণেশ : (ভিতৰৰ পৰা) পিতাই না? (প্ৰবেশ)

বেজ : এই মাৰে ক'ত মৰিবা গ'ল অ'?

গণেশ : নাজানোং মই। এই মাত্ৰকে স্কুলৰ পে আহি পাছোং।

বেজ : হঁা নাজান? দুবাৰখন দাং দাং কে মেলি থৈ ক'ত মৰিবা গ'ল তাই আহি পাক আজি। হালোৱা আছাৰিয়ে তাইক দুপিতন মান দিহে এৰিছোং এই গণেশ চাং, এই মনাটো লৈ যা। (পাঞ্জাৰী সোলোকাই মুঢ়াটোতে থ'ব)

গণেশ : (মোনাটো চাই) অ' পিতাই কাটা নিমকি নানিলি?

বেজ : এ-পইচায়ে নুকুলাল যা। অহা বজাৰে আনিম। (বীণৰ সুৰ বাজিব। চকু মুদি, ওপৰলৈ মূৰ তুলি, বেজে দুহাত ককালত ৰাখি গা পোনাব।) জয় বাবা ভোলানাথ। কিবা এটা অঘটন ঘটা যেন লাগিছে মোৰ। (নেপথ্য সংগীত)

ৰাতিয়া : (এটা সৰু ল'ৰা বুকুত পেলাই লৈ প্ৰৱেশ) অ' টিপি কাই। অ' টিপি কাই অ' মোৰ চ'লিটো বচাই দি অ'। গৰু চৰাই থাকোতে খুটিলা তাক। বচাই দি অ' তাক। বচাই দি।

বেজ : এ ৰহচোন ৰহ ৰাতিয়া। কোনখিনিত, কোনখিনিত চাং?

ৰাতিয়া : এইখিনিতে অ' টিপিকাই, এইখিনিত।

বেজ : বান্ধটো ভালকৈ দিছিলিনে?

ৰাতিয়া : দিছোং দে। পিন্ধা গামোছাখনকে খুলিলোং। ভাগ্যে আন্দৰটো আছিল বুলিহে অ' টিপিকাই। কিবা এটা কৰ সোনকালে।

বেজ : এই গণেশ, মোৰ জোলোঙাটো আনচোন। (গণেশে আনি দিব) জয় মায়ঙৰ পঞ্চদেৱতাক চিন্তি (মাটিত চুই তিনিবাৰ সেৱা কৰে) হে মহাদেৱ হে ভোলানাথ, হে জঁটাধাৰী, মোক শক্তি দিয়া। চাং চাং ৰাতিয়া। চ'লিটো পোনকৈ ধৰ। (জোলোঙাৰ পৰা আঁহতৰ কেওঁ দুটা লৈ ল'ৰাটোৰ দুকাণৰ বিন্ধাত গুজি দিব। ল'ৰাটোৱে চিঞৰিব।) চিন্তা নকৰিবি ৰাতিয়া। ভাল হৈ যাব। জয় ভোলানাথ, জয় মা মনসা।

**(জোলোঙাৰ পৰা মৰাপাট একোচা উলিয়াই ল'ৰাটোৰ ভৰিৰ বুঢ়া আঙুলিত বান্ধি লৈ মৰাপাট কোচা টানি টানি বেজে মন্ত্ৰ আওৰাই থাকিব। বীণৰ সুৰ বাজি থাকিব। ল'ৰাটো ক্ৰমে ক্ৰমে সুস্থ হোৱা যেন লাগিব। আঁৰ কাপোৰ পৰিব আৰু লগে লগে গাইড, পৰ্যটক আৰু মহিলাগৰাকীৰ প্ৰবেশ হ'ব।)**

গাইড : এনেদৰেই সৰ্প দংশনৰ চিকিৎসা চলে আমাৰ মায়ঙত। সৰ্পৰ বিষ নিবাৰণৰ বাবে

কেইবাপ্ৰকাৰৰ মন্ত্ৰ আছে আমাৰ ইয়াত। প্ৰতিবিধৰে ব্যৱহাৰৰ পদ্ধতি, আদৰ-কায়দা সুকীয়া সুকীয়া।

পৰ্যটক : OK

মহিলা : কিন্তু এই পদ্ধতিবোৰ বিজ্ঞান সন্মতনে?

গাইড : বিজ্ঞানে কি কয় আমি সেইটো নাজানো বাইদেউ। গৱেষকসকলে জানিব। বিজ্ঞানীসকলে জানিব। কিন্তু আমাৰ বাবে এইবোৰ এতিয়া সংস্কৃতি। এবছৰ বা দুবছৰতে গঢ়ি উঠা সংস্কৃতি নহয়। হাজাৰ বছৰীয়া প্ৰাচীন সংস্কৃতি। লোক সমাজত যুগ যুগ ধৰি বৰ্তি আছে এই পুৰাতনীয়া সংস্কৃতিবোৰৰ সাধনা।

মহিলা : এনেকুৱা আৰু কি কি মন্ত্ৰ আছে ইয়াত? কি কি Magic Practice চলি আছে?

গাইড : ওঁ-চববোৰ মই এতিয়া ক'ব নোৱাৰিম। তথাপি এই ধৰক— মোহিনী মন্ত্ৰ, সাৰ বেমাৰৰ মন্ত্ৰ, মূৰৰ মন্ত্ৰ, কঁকালৰ বিষ জাৰা মন্ত্ৰ, প্ৰসৱ বেদনাৰ মন্ত্ৰ, শিৰ কুৰ মন্ত্ৰ, বাণ কাটা মন্ত্ৰ, গা বন্ধ মন্ত্ৰ, মহল বন্ধা মন্ত্ৰ — এনেকুৱা বহুত মন্ত্ৰৰ চৰ্চা গাঁৱৰ বেজ-জ্ঞানীসকলে বৰ্তাই ৰাখিছে। এই যে গাঁৱৰ ককা-আইতাহঁতক আপোনালোক দেখিছে।

পৰ্যটক : Yea, Yea.

গাইড : তেওঁলোকক এবাৰ লগ কৰি চাওঁক— অন্তৰ খুলি এবাৰ কথা পাতি চাওঁক— প্ৰতিজনেই হয় আপোনাক এটা মন্ত্ৰ গাই শুনাব পাৰে— নহয় কোনো ৰোগ ব্যাধিৰ এবিধ বনৰীয়া দৰবৰ কথাকে কৈ দিব পাৰে। Traditional wisdom ৰ একো একোটা ভাণ্ডাৰ এখেতসকল। এইটোৱে মায়ঙৰ বিশেষত্ব। Cultural Speciality. Cultural Identity.

মহিলা : আমি শুনিছিলো— মায়ঙৰ বেজে হেনো বনৰীয়া বাঘকো বশ কৰিব পাৰিছিল, জ্বলন্ত মাটি-চাকি আকাশলৈ উৰুৱাই পঠাব পাৰিছিল— কথাবোৰ সঁচানে?

গাইড : হয়, আপুনি ঠিকেই শুনিছে। বাঘ বন্ধা মন্ত্ৰৰে মায়ঙৰ বেজে বনৰ বাঘ বান্ধিছিল। মন্ত্ৰ প্ৰয়োগেৰে বন্দুকৰ নলীয়েদি গুলীৰ পৰিবৰ্তে পানী বোৱাইছিল। উৰণ মন্ত্ৰৰ প্ৰয়োগেৰে উৰা মাৰিছিল। লুকি মন্ত্ৰৰ সহায়ত ঠাইতে অদৃশ্য হ'ব পাৰিছিল।

পৰ্যটক : OK.

গাইড : আৰু বাইদেউ, শত্ৰু নিধনৰ বাবে এসময়ত মায়ঙত আছিল টেকেলী বান, থুমুৰী বান, জ্বৰ বান, গ্ৰহণী বানৰ দৰে সৰ্বনাশী মন্ত্ৰৰ সাধনা। কালদীক্ষা মন্ত্ৰ, মালশ্ৰম মন্ত্ৰ, বেৰাৰ মন্ত্ৰ কিমান যে মন্ত্ৰৰ সাধনা আছিল তাহানিৰ মায়ঙত।

মহিলা : কিন্তু এইবোৰ দেখাব পৰা মানুহ এতিয়া একেবাৰে নাইনে?

গাইড : নাই বাইদেউ। তেনে কোনো তান্ত্ৰিক বা প্ৰভাৱশালী মন্ত্ৰ সাধক আজিৰ মায়ঙত নাই। কিন্তু সেই প্ৰাচীন মন্ত্ৰবোৰ লিখা আছে সাঁচিপাতৰ পুথিত।

মহিলা : নিশ্চয় মই দেখুৱাম আপোনালোকক। More than three hundred তেনেকুৱা Manuscript আছে মায়ঙত। মানুহৰ ঘৰে ঘৰে। বাইদেউ, মন্ত্ৰৰ বিষয়ে আৰু বেছি কথা মই এতিয়া নকওঁ। সময় পালে গধূলিলৈ ক'ম। এতিয়া মই আপোনালোকক বুঢ়ামায়ং গাঁৱলৈ লৈ যাম। এখনি কাৰ্বি গাঁও। সৌ যে পাহাৰটো দেখিছে— তাৰ দাঁতিতে আছে গাঁওখন। বিহু আহিলে সেই গাঁৱৰ ডেকা-গাভৰুসকলে চেং-মুৰিতৰ তালে তালে এটা নৃত্য কৰে। তেওঁলোকৰ ভাষাত সেই বিহু নৃত্যটোক কয় 'দ'মাহী কিকান'। আহক - আমি তালৈ যাওঁ। সেই লোকনৃত্যটো এবাৰ উপভোগ কৰো। বৰ ভাল পাব আপোনালোকে।

আহক— (আটাইকেইজনে প্ৰস্থান কৰিব।)

**(আঁৰ-কাপোৰ উঠিব। লগে লগে আৰম্ভ হ'ব বুঢ়ামায়ং গাঁৱৰ ডেকা-গাভৰুসকলৰ দ্বাৰা পৰিবেশিত 'দ'মাহী কিকান' নৃত্য। নৃত্য শেষ হোৱাৰ লগে লগে আঁৰ-কাপোৰ পৰিব। পৰ্যটক, গাইড আৰু মহিলাগৰাকী পুনৰ প্ৰৱেশ কৰিব।)**

গাইড : কেনে পালে? একো নকয় আপোনালোকে?

পৰ্যটক : Excellent performance. The young boys and girls are very energetic and beautiful also. (হাঁহে সকলোৱে)

মহিলা : সঁচাই খুব ভাল লাগিছে। খুব ভাল নাচিছে ডেকাহঁতে। বহুত প্ৰাণৱন্ত তেওঁলোক। ইমান যে প্ৰতিভা লুকাই আছে এই গাঁওবোৰত। আপোনালোকে এওঁলোকক পোহৰলৈ অনাৰ ব্যৱস্থা কৰক। ইমান সুন্দৰ নাচ।

গাইড : এই নাচটোৰ কেইবাটাও অংশ আছে বাইদেউ। ঢাল-তৰোৱাল লৈ যে নাচিছে। সেই অংশটোক তেওঁলোকে কয় 'চংনক-কিকান'। কেঁকেটুৱাৰ দৰে যে নাচে— তাক কয় 'ক'লেক কিকান'। আৰু এই যে পেঁপাটো সেইটোক কয় 'মুৰীত'। এই পেঁপাটোৰ জিভাখন য'ৰ পৰা আপোনাৰ মাতটো ওলাই— সেইখন ধানৰ নৰা আৰু মাইকী হাঁহৰ পাখীৰে বনায়।

পৰ্যটক : OK (মাজে মাজে পৰ্যটকে প্ৰয়োজনীয় কথাবোৰ 'নোটবুক'ত টোকাৰ অভিনয় কৰি যাব।)

গাইড : এইবাৰ মই আপোনালোকক মায়ঙৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ অন্য এটা ৰূপ দেখুৱাম। বাইদেউ, আপুনি মহাপুৰুষ শংকৰদেৱৰ বিষয়ে এখেতক কেতিয়াবা কৈছেনে?

মহিলা : হয়, কৈছো।

পৰ্যটক : What does he say?

মহিলা : About Sankardeva.

পৰ্যটক : Oh, Yea. I know this great man. He was a great Philosopher from Assam, in India.

গাইড : হয়। মই আপোনালোকক ক'ব খুজিছো যদিও মায়ংখন শাক্ত আৰু শৈৱ ধৰ্মৰ দ্বাৰা প্ৰভাৱান্বিত তথাপি শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱো সেই তাহানিতেই পৰিছিল আমাৰ মায়ঙত। শংকৰ গুৰুৰ এগৰাকী ভক্ত আছিল অনন্ত আতা। তেৱেঁই ১৫৬৪ শকতে মায়ঙত (কালশিলা বিলৰ পাৰত) স্থাপন কৰিছিল কালশিলা সত্ৰ। এই বৈষ্ণৱ ধৰ্মৰ সৈতে জড়িত ভালেমান সাংস্কৃতিক উপাদান আজিও প্ৰাণৱন্ত ৰূপত জীয়াই আছে মায়ঙত (কালশিলা বিলৰ পাৰত) স্থাপন কৰিছিল কালশিলা সত্ৰ। এই বৈষ্ণৱ ধৰ্মৰ সৈতে জড়িত ভালেমান সাংস্কৃতিক উপাদান আজিও প্ৰাণৱন্ত ৰূপত জীয়াই আছে মায়ঙত। গাঁৱে গাঁৱে আছে নামঘৰ। তাত চলে দিহা নামৰ চৰ্চা। চুবুৰীয়ে চুবুৰীয়ে আছে নগৰ কীৰ্তনৰ বৈষ্ণৱী পৰম্পৰা। আৰু সময়ে সময়ে খোল-তাল লৈ গাঁওবাসীয়ে কৰে অসমীয়া ভাওনাৰ আখৰা। ওঁ- মই আপোনালোকক এইবাৰ দিহা নাম এটাকে দেখুৱাম। এই দিহা নামটো প্ৰদৰ্শনৰ বাবে সাজু হৈ আছে বৰদিয়া গাঁৱৰ গাভৰুসকল। আহক- আমি তেন্তে যাওঁ। দিহা নামটো উপভোগ কৰো। আহক। (আটাইকেইজনৰ প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। বৰদিয়া গাঁৱৰ শিল্পীসকলে দিহা নাম প্ৰদৰ্শন কৰিব। নাম শেষ হোৱাৰ কিছু আগতেই পৰ্যটক, গাইড আৰু মহিলাগৰাকী মঞ্চত প্ৰৱেশ কৰিব। গাইডে হাত চাপৰি বজাই নাম ধৰিব। পৰ্যটক আৰু মহিলাগৰাকীয়ে নাগাৰা, খোল, তাল আৰু গাভৰুসকলৰ ফটো ল'ব। নাম শেষ হোৱাৰ লগে লগে আঁৰ - কাপোৰ**

পৰিব আৰু গইড, পৰ্যটক, মহিলাগৰাকী মঞ্চৰ আগলৈ আহিব।)

গাইড : কেনে পালা বাইদেউ?

মহিলা : ভাষা নাই ক'বলৈ। মই সঁচাকৈ বৰ অভিভূত হৈছো। গীত-মাত-বাদ্য সকলোতে দেখোন পাৰ্গত ছোৱালীবোৰ। (পৰ্যটকজনে কেমেৰাত তোলা ফটোবোৰ চাই থাকিব। মাজে মাজে 'নোট বুক' উলিয়াই দুই এটা কথা টুকি ল'ব।)

গাইড : অকল গীত-মাততে নহয় বাইদেউ। পথাৰত ভুঁই বোৱা, জাকৈ বাই মাছ ধৰা, তাঁতত কাপোৰ বোৱা ক'তোৱেই পাছ পৰা নহয় আমাৰ গাঁৱৰ গাভৰুবোৰ। আধুনিক শিক্ষাৰে শিক্ষিত হলেও ঘৰুৱা সকলো কামতে পাৰ্গত তেওঁলোক।

মহিলা : আচ্ছা, এইখিনিতে মই আপোনাক কথা এটা সুধো—

গাইড : হয়। সোধকচোন

মহিলা : বৰ্তমানে আপোনালোকৰ ইয়াত শৈক্ষিক দিশটো কেনেকুৱা?

গাইড : সিমান বেয়া বুলিও কব নোৱাৰি। ১৯০৪ চনতে আমাৰ ইয়াত প্ৰথমখন প্ৰাথমিক বিদ্যালয় স্থাপন হৈছিল। তাৰ পাছৰ পৰাই এখুজি-দুখুজিকৈ অঞ্চলটোত শিক্ষাৰ জোনাকী বাটেৰে আগবাঢ়ি গৈছে। এতিয়া বহুকেইখন মধ্য ইংৰাজী বিদ্যালয় হ'ল, উচ্চ মাধ্যমিক বিদ্যালয় হ'ল। সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ো আছে আৰু ১৯৯২ চনতে উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে এখন মহাবিদ্যালয়ো স্থাপন হ'ল আমাৰ ইয়াত। অৱশ্যে বিজ্ঞান আৰু বাণিজ্য শিক্ষাৰ সা-সুবিধাখিনি এতিয়াও অঞ্চলটোত গঢ়ি উঠা নাই।

মহিলা : মহাবিদ্যালয়খন কোন খিনিত আছে?

গাইড : ওঁ ঠিক পবিতৰা অভয়াৰণ্যৰ দাঁতিতে। আমাৰ ৰজামায়ং গাঁৱৰ দক্ষিণে। কালিলৈ লৈ যাম দিয়ক এবাৰ।

মহিলা : ঠিক আছে তেন্তে। এইবাৰ কলৈ নিব কওঁক। কি দেখাব আমাক?

গাইড : তাকেই ভাবিছো। অলপ আগতে যে চালো দিহা নামটো ঠিক এনেকুৱা দিহা নাম মায়ঙৰ পুৰুষসকলেও সুন্দৰকৈ পৰিবেশন কৰে। প্ৰায় একেই। তাল মান, লয়-লাস, অলপ মাথো বেলেগ। সেইটো বাৰু সময় পালে পাছত দেখুৱাম আপোনালোকক। এইবাৰ নাটকৰ দৃশ্য এটাকে চাওঁ নেকি?

মহিলা : নাটক। (পৰ্যটকলৈ চাই) Hello Richard, Drama! Drama! Your favourite item.

পৰ্যটক : OK, I like it very much.

গাইড : I also like it..... বাইদেউ, আপুনি শংকৰদেৱৰ কেলি গোপাল নাটখনৰ বিষয়েটো জানে?

মহিলা : ওঁ। অলপ অলপ। কওঁকচোন বাৰু।

গাইড : আমাৰ ৰজামায়ং গাঁৱত সকলোৱে মিলি এই নাটকখনৰ কৰে প্ৰতিবছৰে — ৰাস পূৰ্ণিমাৰ ৰাতি।

পৰ্যটক : OK

গাইড : নাটখনত খোল-তাল লৈ গায়ন-বায়ন ওলায়। এজন সূত্ৰধাৰ থাকে। প্ৰভু শ্ৰীকৃষ্ণ-এজাক গোপিনী আৰু শংখচূড় নামৰ এটা দৈত্যও থাকে। বৰ ভাল লাগে চাই। নাটখনৰ এটা দৃশ্য ৰূপায়ণৰ বাবে মই সেই গাঁৱৰ শিল্পীসকলক কৈ আহিছিলো। তেওঁলোকে চাগৈ ৰৈ আছে আমালৈ। আহক আমি এইবাৰ তালৈকে যাওঁ। কেলিগোপাল নাটৰ দৃশ্য এটাকে চাওঁ। বৰ ভাল পাব আপোনালোকে। আহক। (আটাইকেইজনৰ প্ৰস্থান)

(আঁৰ-কাপোৰ উঠিব। "আহে সভাসদ লোক....' বুলি সূত্ৰধাৰে আৰম্ভ কৰিব। খোল-তাল বাজি উঠিব। শ্ৰীকৃষ্ণ আৰু শংখচূড়ৰ মাজত চলা যুদ্ধৰ এটি দৃশ্য ৰজা মায়ং গাঁৱৰ শিল্পীসকলে প্ৰদৰ্শন কৰিব। যুদ্ধ শেষ হোৱাৰ পাছতে আঁৰ-কাপোৰ পৰিব। আগে আগে গাইড আৰু পাছে পাছে কেমেৰাত ফটো চাই চাই পৰ্যটক আৰু মহিলাগৰাকীৰ প্ৰবেশ হ'ব।)

মহিলা : (কেমেৰাত চাই) এই দৈত্যটোৰ নাম শংখচূড় আছিল নহয়?

গাইড : হয়। কৃষ্ণ বিৰহত আতুৰ গোপীসকলৰ ওপৰত অত্যাচাৰ চলাইছিল এই দৈত্যটোৱে। যমুনাৰ তীৰত। শ্ৰীকৃষ্ণৰ সৈতে সেয়ে এই যুদ্ধৰ সূচনা হৈছিল। আপুনি বুজি পাইছেনে Sir মই কি কৈছো?

পৰ্যটক : Yea, Yea, I understand.

মহিলা : মোৰ কিন্তু খুব ভাল লাগিল এই দৃশ্যটো চাই। Really দেই— মায়ংখন সঁচাই অতুল্য- বৰ বিচিত্ৰ। ইমানবোৰ যে কৃষ্টি-সংস্কৃতি জীয়াই আছে ইয়াত। ক'বলৈ গ'লে সমগ্ৰ অসমৰে ক্ষুদ্ৰ সংস্কৰণ দেখো এই মায়ং। অহাবাৰ মোৰ চোৱালীজনীকো লৈ আহিম। এনেকুৱা সাতামপুৰুষীয়া লোকনৃত্য গীতৰ প্ৰতি বিৰাট টান আছে তাইৰ। এইবোৰ দেখিলে আত্মহাৰা হৈ পৰিব তাই, জানে?

গাইড : লৈ আহিব তেন্তে। মইতো আছোৱেই। সকলো দেখুৱাম তেওঁক। বাইদেউ, আমি আৰু বেছি দেৰি নকৰো ইয়াত। এটি লোকগীত শুনোগৈ ব'লক। ৰজা মায়ঙৰ শিল্পী কেইগৰাকীমানক কৈ থৈছিলো। সাজি-কাচি তেওঁলোক চাগৈ বৈ আছে আমালৈ।

পৰ্যটক : লোকগীত? It means (অভিনয় কৰি) টেং টেং টেং......

গাইড : হয় হয়। আপুনি ঠিকেই বুজি পাইছে। সেই লোকবাদ্যবিধৰ নাম দোতোৰা। খুব ধুনীয়াকৈ বজায় গাঁৱৰ শিল্পীসকলে। আহক আমি দেৰি নকৰো। এইবাৰ আমি গ্ৰাম্য জীৱনৰ মাদকতাৰে পৰিপূৰ্ণ লোকগীতৰ সুৰৰ মুৰ্চ্ছনাৰ মাজত হেৰাই যাওঁ— আহক।

(আঁৰ-কাপোৰ উঠিব। ৰজামায়ং গাঁৱৰ শিল্পী এদলে সমবেত কণ্ঠত লোকগীত এটা পৰিবেশন কৰিব। গাইডজনেও লগত গাব পাৰে। পৰ্যটক আৰু মহিলাগৰাকীয়ে কাষত থিয় হৈ থাকি হাতচাপৰি বজাব। মাজে মাজে ফটো ল'ব। গীতটো শেষ হোৱাৰ পাছত...)

মহিলা : দেউতা, আপোনাৰ নামটো কি?

প্ৰথম শিল্পী : শ্ৰীঘনকান্ত নাথ।

মহিলা : আৰু আপোনাৰ ?

দ্বিতীয় শিল্পী : শ্ৰীক্ষিতিকান্ত নাথ।

মহিলা : কিমান দিনৰ পৰা আপোনালোকে এই লোকসংগীতৰ চৰ্চাবোৰ কৰি আহিছে?

১ ম শিল্পী : কিমান দিন বুলিনো ক'ম? মাইকী পেটতে আমি এইবিলাক শিকি আহিছো।

২ য় শিল্পী : হয় দিয়ক। বোপা-ককাৰ দিনৰে পৰা এই বিদ্যাবোৰ আমাৰ ইয়াত চলি আছে। দেখাক দেখি আমি শিকিছো। কেনেকুৱা হৈছে নাজানো আৰু।

মহিলা : বহুত ভাল হৈছে। বহুত ভাল গাইছে আপোনালোকে। কোনো চহৰীয়া ঢং নাই। আৰু আপুনি। দোতোৰাটো ইমান সুন্দৰকৈ বজাইছে নহয়। ফটো লৈছো আমি। দেখুৱাম গৈ বিদেশৰ মানুহক। (পৰ্যটকজনৰ পৰা ৫০০ টকা লৈ) এইটো লওঁকচোন দেউতা।

সকলো শিল্পী : নাই, নালাগে দিয়ক।

মহিলা : লওঁকচোন। মৰমৰ উপহাৰ। মিঠাই খাব আপোনালোকে। (হাতত গুজি দিয়ে।)

সকলো শিল্পী : তেনেহ'লে আমি এতিয়া যাওঁ আৰু। (নমস্কাৰ দিয়ে)

মহিলা + গাইড : (নমস্কাৰ কৰি) হয়। যাওক।

(শিল্পীসকলৰ প্ৰস্থান। আঁৰ কাপোৰ পৰিব। গাইড আৰু পৰ্যটক আৰু মহিলা গৰাকী মঞ্চৰ আগলৈ আহিব।)

মহিলা : এই সংস্কৃতিবোৰ আপোনালোকে হেৰাই যাবলৈ নিদিব। জীয়াই ৰাখিব।

গাইড : আমি চেষ্টা কৰিছো বাইদেউ। যিমান পাৰো এই সৌন্দৰ্যবোৰ ধৰি ৰাখিম। মাটিৰে ৰসেৰে সিক্ত কৰি অনন্য কৰি ৰাখিম আমাৰ মায়ংখন।

পৰ্যটক : You should try your best. These are really incredible.

মহিলা : হয়। আপোনালোকৰ এই চেষ্টা যদি সঁচাকৈ সফল হয়— তেন্তে চাব। এদিন সমগ্ৰ বিশ্বই আপোনালোকক জুমি জুমি চাব। এনে সৰল আৰু সংস্কৃতিবান সমাজ এখন আজিৰ পৃথিৱীত সঁচাকৈ বৰ দুৰ্লভ জানে? এই থলুৱা কৃষ্টি-সংস্কৃতিবোৰৰ মাজতে লুকাই আছে এখন প্ৰাচীন গ্ৰাম্য সমাজৰ প্ৰতিচ্ছবি, প্ৰাচীন মানৱৰ চিন্তা-ভাৱনা, ৰং-ৰূপ-ৰস- সকলো খিনি। সেইবোৰ চাবলৈয়ে উবুৰি খাই পৰিব এদিন পৃথিৱী। বাৰু আপুনি এতিয়া আমাক ক'লৈ নিম বুলি ভাবিছে? কি দেখুৱাম বুলি ভাবিছে- কওঁক?

গাইড : ওঁ-বড়ো নৃত্য।

মহিলা : বড়ো জনগোষ্ঠীৰ মানুহ আছে আপোনালোকৰ ইয়াত?

গাইড : হয় বাইদেউ। কাছশিলা পাহাৰৰ পৰা যে দেখিছিলো পকৰীয়া নামৰ সেই ধুনীয়া জীৱন্ত নৈখন- সেই নৈৰ উপত্যকাতে আছে পাভকাটি নামৰ এখনি বড়ো গাঁও। চিফুঙৰ সুৰে সুৰে সেই গাঁৱৰ বড়ো গাভৰুসকলে বাগৰুম্বা নাচে। বৰ মনোৰম সেই নৃত্যটো। চালে চকুৰোবা অপূৰ্ব। ব'লক আমি এইবাৰ তালৈকে যাওঁ। প্ৰাণভৰি উপভোগ কৰো গৈ বড়ো গাভৰুসকলৰ দ্বাৰা পৰিবেশিত সেই থলুৱা নৃত্যৰ এটা দৃশ্য। আহক আহক। (আটাইকেইজনৰে প্ৰস্থান)

(আঁৰ-কাপোৰ উঠিব। পাভকাটি গাঁৱৰ বড়ো ডেকা-গাভৰুসকলে বাগৰুম্বা নৃত্যটো প্ৰদৰ্শন কৰিব। নৃত্যটো শেষ হোৱাৰ লগে লগে আঁৰ কাপোৰ পৰিব আৰু গাইড পৰ্যটক আৰু মহিলাগৰাকীৰ প্ৰৱেশ হ'ব।

মহিলা : (কেমেৰাত ফটো চাই) এই বাঁহীটোৰে চিফুং নহয় জানো?

গাইড : হয় বাইদেউ। কি যে গভীৰ এই বাঁহীৰ সুৰৰ মূৰ্চ্ছনাবোৰ। বড়ো কছাৰীসকলৰ মাজত এটা জনবিশ্বাস আছে বাইদেউ— ব'হাগ মাহৰ প্ৰথম ৰাতিপুৱাতে যদি এই চিফুঙত সুৰৰ মূৰ্চ্ছনা তোলা হয়, তেন্তে সেই সুৰ ধ্বনি যিমান দূৰলৈ যায়— সিমান দূৰলৈকে হেনো সাপৰ কণীবোৰ ঘোলা হয়।

মহিলা : OK, বৰ আচৰিত বিশ্বাস কিন্তু! Richard, it is to be noted.

পৰ্যটক : Yea, It is very interesting. (বহীত টুকি ল'ব)

গাইড : এইবাৰ বাইদেউ- মই আপোনালোকক এটা জিকিৰ দেখুৱাম।

পৰ্যটক : জিকিৰ।

মহিলা : আজান ফকৰিৰ।

পৰ্যটক : Oh, Yea Yea. I know, I know.

গাইড : আমাৰ মায়ঙৰ ঠিক পূব দিশত বালিমুখ নামৰ এখন সৰু মুছলমান গাঁও আছে। সেই গাঁৱৰ ডেকা-গাভৰুসকলে খুব সুন্দৰকৈ জিকিৰ গাব পাৰে আপোনালোকৰ আগত জিকিৰ এটা পৰিবেশনৰ বাবে মই তেওঁলোকক মাতি পঠাইছিলো। ভালেমান সময় ধৰি তেওঁলোক আমাৰ বাবে বৈ আছে। আহক। আমি এইবাৰ তেওঁলোকৰ জিকিৰটো শুনো— আহক (আটাইকেইজনৰ

প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। বালিমুখৰ ডেকা-গাভৰুসকলে জিকিৰ পৰিৱেশন কৰিব। সময় হোৱাৰ লগে লগে আঁৰ-কাপোৰ পৰিব। গাইড, পৰ্যটক আৰু মহিলাগৰাকীৰ পুনৰ প্ৰৱেশ হ'ব)**

মহিলা : জানে? আমাৰ বাবে আজিৰ এই দিনটো বৰ স্মৰণীয় হৈ ৰ'ব। আমি সঁচাকৈ বৰ আত্মহাৰা হৈ পৰিছো। সৰুতেই মই মায়ঙৰ বিষয়ে বহুত কথা শুনিছিলো। অহা হোৱা নাছিল। এই বাৰ অহাৰ আগেয়ে ভাবিছিলো— মায়ঙৰ সেই ঐতিহ্য আৰু গৌৰৱবোৰ আজিও অক্ষুণ্ণ হৈ আছেনে? কিন্তু এতিয়া দেখিছো— বহু ঐতিহাসিক সমল এতিয়াও ইয়াত আছে। বহু কৃষ্টি সংস্কৃতি এতিয়াও ইয়াত বৰ্তি আছে। যিখিনি আছে, সেইখিনিকো যদি ভালকৈ জীয়াই ৰখা হয়— তেন্তে I am sure, আপোনালোকৰ মায়ঙে এদিন নিশ্চয় জগত জিনিব পাৰিব। Is n't it Richard?

পৰ্যটক : Yea, I also think like you. It is still a treasure house of Culture. বহুত Cultural variety আছে ইয়াত। জীয়াই ৰাখিব লাগে এইবোৰ।

গাইড : Thanks for your such feelings, Sir. আপোনালোকৰ এনে অনুভৱে আমাক বহুত প্ৰেৰণা দিব। আমাৰ এই শিল্পীসকলক বহুত উৎসাহিত কৰিব। By the by, মই আপোনালোকক তেতিয়া যে পুৰুষে গোৱা দিহা নাম এটা দেখুৱাম বুলি কৈছিলো?

পৰ্যটক : Yea, Yea.

গাইড : আমাৰ মায়ঙত প্ৰতিখন গাঁৱতে একো একোটা নামঘৰ আছে। সেই নামঘৰবোৰত গাঁৱৰ ৰাইজে প্ৰতিবছৰে বছৰেকীয়া সবাহ পাতে। এই সবাহত গাঁৱৰ ডেকা-বুঢ়া সকলোৱে মিলি দিহা নাম গায়। আমি তাকে মহানাম বুলি কওঁ গাঁৱত। ডাঙৰকৈ যে Dram টো বাইদেউ আপুনি বুজি পাব— দবা?

মহিলা : ওঁ ওঁ। জানো, জানো।

গাইড : হয়। সেই দবাটো বজাই গায় এই নাম। সেয়ে আমি দবা নাম বুলিও কওঁ গাঁৱত। আমাক এতিয়া এনে দবা নাম এটা গাই শুনাব ৰজামায়ং গাঁৱৰ শিল্পীসকলে। বৰ ভাল গায়। বৰ ভাল পাব আপোনালোকে। আহক। আমি এইবাৰ দবা নামটো উপভোগ কৰো। আহক — (আটাইকেইজনৰে প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। ৰজামায়ং গাঁৱৰ শিল্পীসকলে দবা নাম প্ৰদৰ্শন কৰিব। শেষ হোৱাৰ পাছত আঁৰ-কাপোৰ পৰিব। গাইড, পৰ্যটক আৰু মহিলাগৰাকী পুনৰ প্ৰৱেশ হ'ব।**

গাইড : কেনে পালে ছাৰ?

পৰ্যটক : It is also attractive. Excellent, Excellent performance.

মহিলা : আপুনি আমাক এনেকুৱা সংস্কৃতি কিছুমান দেখুৱাই আছে— ইটোতকৈ যেন সিটো সুন্দৰ, সিটোতকৈ যেন ইটো সুন্দৰ— এনে লাগিছে আমাৰ। (হাঁহি) এইবাৰ কি দেখুৱাব কওঁক?

গাইড : আপোনালোকৰ ভাগৰ লগা নাই?

মহিলা : ভাগৰ? Are you feeling tired?

পৰ্যটক : Oh, no no.

মহিলা : (হাঁহি) ভাগৰ লাগিব? কওঁক কি দেখুৱাব কওঁক? ক'লৈ যাব লাগিব কওঁক?

গাইড : ওঁ। বিহু চাবলৈ

পৰ্যটক : বিহু। Bihu Dance. (নাচি দেখুৱাব) Oh hoh ho, Let's go.

মহিলা : (হাঁহি) বৰ ভাল পায় এওঁ।

গাইড : বিহুৰ বিষয়েনো আপোনালোকক কি ক'ম?

কৃষিজীৱি মানুহৰ উৰ্বৰা বিশ্বাসৰ ভেঁটিত জন্ম লাভ কৰা বিহু আছিল আচলতে পথাৰৰ সংস্কৃতি। এই সংস্কৃতিৰ স'তে জড়িত নাচ-গানখিনি সময়ৰ সোঁতে আজি মঞ্চলৈ আনিছে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বৰ অসমৰ সকলোৱে বিহু গীত গাব জানে, দেহা ঢালি বিহুনাচ নাচিব জানে। ঢোল-পেঁপা গগনাৰ মাত শুনিলেই অসমীয়া গাভৰুৰ ককালত কুটকুটনি উঠে। গাত তত নাইকীয়া হৈ উজুটিত যঁতৰ ভাঙি নিয়ে। অসমৰ অন্যান্য প্ৰান্তৰ দৰে লুইতপৰীয়া এই মায়ঙৰ ডেকা-গাভৰুৰ অৱস্থাও সেই একেই। আহক আমি এইবাৰ ৰজামায়ং গাঁৱৰ ডেকা-গাভৰুসকলে পৰিবেশন কৰা এটা বিহু নৃত্যকে উপভোগ কৰো। ঢোল-পেঁপা-গগনাৰ তালে তালে ককাল ঘূৰাই সকলোৱে এপাক নাচো। আহক। আহক। (আটাইকেইজনৰ প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। ৰজামায়ং গাঁৱৰ বৰদৈচিলা বিহুৰে দলে দলীয় বিহু এটি প্ৰদৰ্শন কৰিব। শেষ হোৱাৰ লগে লগে আঁৰ-কাপোৰ পৰিব। গাইড, পৰ্যটক আৰু মহিলাগৰাকী পুনৰ মঞ্চত প্ৰবেশ কৰিব।**

গাইড : Have you any comment sir?

পৰ্যটক : I have found no words to express my feeling.

গাইড : Thank you very much sir.

মহিলা : সঁচাকৈ মানি লৈছো আপোনালোকৰ গাঁৱৰ এই থলুৱা শিল্পীসকলৰ প্ৰতিভাক।

গাইড : বাইদেউ। এই বিহু নাচটো পথাৰৰ মাজত হোৱা মুকলি বিহুৰ মঞ্চৰূপ। বিহুৰ সৈতে জড়িত আৰু দুটা আকৰ্ষণীয় অনুষ্ঠান আছে। এটা জেং বিহু আৰু আনটো হুঁচৰি গোৱাৰ পৰম্পৰা। আপুনি জানে নহয়?

মহিলা : হয়। জানো।

গাইড : আমি হুঁচৰিৰ কথা এইবাৰলৈ এৰিলো। আমাৰ হাতত সময়ো বেছি নাই। জেং বিহু এটাকে আপোনালোকক অকণমান দেখুৱাম। এই বিহু নাচত পুৰুষৰ স্থান নাই। মহিলাৰ বিহু ই। আগতে হাবিৰ মাজত নিৰ্জন স্থানত মহিলাসকলে এই বিহু গাই ৰং-ধেমালি কৰিছিল। অলপ যৌনগন্ধী, অলপ অশ্লীল হয় ইয়াৰ বিহুনামবোৰ। কিন্তু শালীনতাৰ পোছাক পিন্ধাই এই জেং বিহুটোক এতিয়া মঞ্চলৈ অনা হৈছে। আহক আমাৰ হাতীমূৰীয়া গাঁৱৰ মহিলাসকলে তেনে এটা জেং বিহু আপোনালোকৰ আগত পৰিবেশন কৰি দেখুৱাব। প্ৰাণ ভৰি এইবাৰ উপভোগ কৰোঁগৈ জেং বিহুৰ সেই মাধুৰ্য— আহক। (আটাইকেইজনৰ প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। হাতীমূৰীয়া গাঁৱৰ মহিলাসকলে জেং বিহু এটা প্ৰদৰ্শন কৰিব। শেষ হোৱাৰ লগে লগে আঁৰ-কাপোৰ পৰিব। গাইড, পৰ্যটক আৰু মহিলাগৰাকী পুনৰ প্ৰবেশ কৰিব।**

গাইড : বাইদেউ, আপুনি কিবা এটা ক'ব খুজিছিল তেতিয়া?

মহিলা : হয়। মই ক'ব খুজিছিলো— মায়ংখন যাদুৰ দেশ বুলিয়েই আমি সৰুৰে পৰা শুনি আহিছিলো। সেয়ে বহুদিনৰ পৰা মনত পুহি ৰাখিছিলো মায়ংখন চোৱাৰ এক দুৰ্বাৰ হেঁপাহ। কিন্তু এতিয়া আহি দেখিলো— অকল যাদুৱেই মায়ঙৰ শেষ পৰিচয় নহয়। হ'ব নোৱাৰে। প্ৰত্নতাত্বিক দিশতো আপোনালোকৰ এই মায়ং বৰ চহকী। বুৰঞ্জী যুগৰো বহুত সমল আছে ইয়াত। সাংস্কৃতিক দিশতো ই চহকী। আধ্যাত্মিক দিশতো ই চহকী। এখন সু-সংস্কৃত সবল গ্ৰাম্য সমাজ বৰ্তি আছে আপোনালোকৰ এই মায়ঙত। সঁচাকৈ অতুল্য এই মায়ং। মোহনীয় এই মায়ং।

গাইড : আৰু এটা কথা আপুনি নক'লে বাইদেউ।

মহিলা : কি কথা?

গাইড ঃ পবিতৰা অভয়াৰণ্যৰ কথা। এশিঙীয়া গঁড়ৰ কথা।

মহিলা ঃ ওঁ, Sorry. মইতো আহিয়েই প্ৰথমে আপোনালোকৰ পবিতৰাৰ কথাই সুধিছিলো।

গাইড ঃ হয় বাইদেউ। আজিৰ তাৰিখত যাদুৰ পাছতেই মায়ঙৰ অন্যতম পৰিচয়টোৱেই হ'ল পবিতৰা। মায়ং পৰ্যটনৰ ক্ষেত্ৰত এই পবিতৰাখনেই হৈছে এতিয়া আকৰ্ষণৰ মূল কেন্দ্ৰবিন্দু। এশিঙীয়া গঁড়ৰ ঘনত্বৰ দিশত বিশ্বৰ ভিতৰতে প্ৰথম স্থানত আছে এই অভয়াৰণ্যখন। আৰু এটা কথা বাইদেউ, আপোনালোকক জনাই থওঁ- এই অভয়াৰণ্যখন গাঁৱৰ ৰাইজে চৰকাৰক আবেদন নিবেদন কৰিহে স্থাপন কৰিছিল। এটা অঞ্চলৰ এখন সমাজে "আমাক এখন অভয়াৰণ্য লাগে', 'আমাক এখন সংৰক্ষিত বনাঞ্চল লাগে'— এই বুলি চৰকাৰৰ ওচৰত দাবী জনাই জনাই এখন অভয়াৰণ্য গঢ়ি তোলাৰ ঘটনা সম্ভৱতঃ বিশ্বতে বিৰল বাইদেউ।

মহিলা ঃ হয় নেকি? তেনেহ'লে কিমান দূৰদৰ্শী আৰু হিতচিন্তক আছিল আপোনালোকৰ গাঁৱৰ এই মানুহবোৰ। এক মিনিট, Richard, do you understand what he is saying?

পৰ্যটক ঃ Yea.

মহিলা ঃ Then, you have to note it.

পৰ্যটক ঃ OK, OK (বহীত টোকা লিখিব)

মহিলা ঃ গঁড়ৰ বাহিৰেও পবিতৰাত আৰু কি কি জীৱ-জন্তু আছে?

গাইড ঃ বনৰীয়া চৰাই। বনৰীয়া গাহৰি। বনৰীয়া ম'হ আৰু .... ওঁ .... অজগৰ সাত মিটাৰ পৰ্যন্ত দীঘল অজগৰ আছে পবিতৰাত। বাইদেউ, পবিতৰাৰ কথা ওলাইছে যেতিয়া। আমি এইবোৰ পবিতৰালৈকে যাওঁ বলক।

গাইড ঃ ভিতৰলৈ নাযাওঁ আজি। কালিলৈ ৰাতিপুৱাতে যাম। বাহিৰৰ পৰাই চাম আজি। বাহিৰৰ পৰাই চাব পাৰি জলাশয়ত চৰি থকা বনৰীয়া চৰাইবোৰ, বন বিৰিণাৰ মাজত বিচৰণ কৰি থকা গঁড়বোৰ।

মহিলা ঃ বলক তেন্তে।

গাইড ঃ বলক। Sir, Let's go to visit Pobitora.

পৰ্যটক ঃ OK, Ok (আটাইকেইজনৰ প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। 'বনৰীয়া আমি বনৰ চৰাই' — এই বিষ্ণুৰাভাৰ গীতটোত এজাক ছোৱালী চৰাই হৈ নাচিব। গীতৰ এটা কলিৰ পাছতে গাইড, পৰ্যটক আৰু মহিলাগৰাকীৰ প্ৰৱেশ হ'ল। নাচ চলি থাকিব। মাজৰ সংগীতৰ সময়ত তলৰ সংলাপখিনি শেষ কৰিব। মাজে মাজে দূৰবীণেৰে দূৰলৈ চাব।**

গাইড ঃ প্ৰতিবছৰে শীত কালৰ আগমনৰ লগে লগে এনেদৰে হাজাৰ হাজাৰ জলচৰ পক্ষীৰ সমাগম হয় এই পবিতৰাত। এই মনোমোহা পৰিভ্ৰমী পক্ষীবোৰৰ কলৰৱত মুখৰিত হৈ পৰে পবিতৰাৰ আকাশ বতাহ.

মহিলা ঃ এই জলাশয়টোৰ নাম কি?

গাইড ঃ তামুলী ডোভা। এনেকুৱা প্ৰায় ১৪ টা মান জলাশয় পবিতৰাৰ চাৰিসীমাৰ ভিতৰত আছে। কোনোবাটো বছৰত ইমান পৰিভ্ৰমী চৰাই ইয়াত গোটখাই বাইদেউ কিছুমান জলাশয়তো পানী নেদেখা কৰি ভৰি থাকে চৰাইবোৰ।

মহিলা ঃ কিমান চৰাই আহে বাৰু ইয়ালৈ? Census হৈছেনে?

গাইড ঃ গড় হিচাপত প্ৰতিবছৰে ১৫ ৰ পৰা ২০ হাজাৰ মান চৰাই আহে। ২০০৪ চনত হোৱা এক Census মতেতো (Mid Winter Water Fowl Census) ২৮ হাজাৰ চৰাই গোট খাইছিল পবিতৰাত। আজিকালি অলপ কমা যেন লাগিছে।

বাইদেউ, ছাৰ— এইফালে চাওকচোন সৌকেইটা গঁড় অলপ দূৰত - এটা, দুটা, তিনিটা, চাৰিটা.... ওঁ..... ৮ টা মান আছে। সৌজনী অকণমান বাওঁফালে চাওক— দেখিছেনে? পোৱালী এটাও আছে লগত।

মহিলা : (দূৰবীণত চাই চাই) বৰ্তমান কিমানটা গঁড় আছে পবিতৰাত?

গাইড : শেহতীয়া গণনা মতে ৮৪ টা আছে বাইদেউ। World highest density. সংখ্যাৰ ফালৰ পৰাও পৃথিৱীৰ ভিতৰতে তৃতীয় স্থানত।

**(গীত-নৃত্য চলি থাকিব। মহিলাগৰাকীয়ে পৰ্যটক গৰাকীক মাতি মাতি দূৰবীণেৰে কিবা কিবি দেখুৱাই থাকিব। চাৰিওফালে দূৰবীণেৰে চাই থকাৰ অভিনয় কৰিব। গাইডে মহিলাগৰাকীৰ পৰা কেমেৰাটো লৈ চৰাই হৈ নাচি থকা ছোৱালীজাকৰ ফটো ল'ব। গীত নৃত্য শেষ হোৱাৰ লগে লগে আঁৰ-কাপোৰ পৰিব। গাইড, পৰ্যটক আৰু মহিলাগৰাকী মঞ্চৰ আগলৈ ওচি আহিব।)**

মহিলা : বহুত ভাল লাগিল। ইমান মুক্ত আৰু নিৰ্ভয়ভাৱে যে বনৰীয়া জীৱ-জন্তুবোৰ ইয়াত বিচৰণ কৰি আছে। দেখিয়ে ভাল লাগিছে।

গাইড : কালিলৈ ৰাতিপুৱা আপোনালোক যেতিয়া Elephant Safari কৰিব জংঘলৰ ভিতৰলৈ যাব আৰু ভাল লাগিব।

মহিলা : আমি পবিতৰাৰ ৰেঞ্জ অফিচাৰ গৰাকীক লগ কৰিব পাৰিমনে?

গাইড : নিশ্চয় পাৰিব। মই আজিয়েই তেখেতক কৈ থৈ দিম। বৰ ভাল তেখেত।

মহিলা : তেন্তে, এতিয়া আমাক ক'লৈ নিব কওঁক? (ঘড়ী চাই) সময় কিন্তু বেছি নাই।

গাইড : ওঁ কালিলৈতো আপোনালোক যাবগৈ?

মহিলা : হয়।

গাইড : তেনেহ'লে এতিয়াই এপাক ৰজাঘৰৰ পৰা আহোগৈ ব'লক। আমাৰ মায়ঙত এতিয়াও বংশানুক্ৰমিক ৰজাৰ পৰম্পৰাটো বৰ্তি আছে বাইদেউ ৰাজ্যশাসনৰ কোনো ক্ষমতা নাই ৰজাজনাৰ। কিন্তু স্থানীয় ৰাইজে আজিৰ ৰজা হিচাপে তেখেতক মানি আহিছে। যাবনে তালৈ?

মহিলা : Why not? মায়ঙলৈ আহি যদি প্ৰাচীন ৰাজ্যখনৰ পৰম্পৰাগত ৰজাজনকে সাক্ষাৎ নকৰো, আমাৰ দেখোন ভ্ৰমণটোৱে আধৰুৱা হ'ব Richard, We will now go to meet the traditional king of Mayong.

পৰ্যটক : OK (হাতত থকা বহী, কলম আৰু কেমেৰা বেগত ভৰাই লয়।)

মহিলা : Lets go.

গাইড : আহক তেনেহ'লে। দেৰি নকৰো। আহক। (আটাইকেইজনৰে প্ৰস্থান)

**(আঁৰ-কাপোৰ উঠিব। আঁৰ কাপোৰ উঠাৰ আগতে "জয় মায়ঙৰ ৰজা তৰণী কান্ত সিংহৰ জয়" "জয় মায়ঙৰ পঞ্চদেৱতাৰ জয়" বুলি নেপথ্যত জয়ধ্বনি দি ৰাজকীয় পৰিবেশ এটাৰ সৃষ্টি কৰি ল'ব পাৰে। আঁৰ-কাপোৰ উঠাৰ লগে লগে ৰজা, ডেকাৰজা আৰু বাংঠে ৰজা ৰাজকীয় সাজত আসনত বহি লৈ মায়ঙৰ গোঁসাই উলিওৱা মেলা বিষয়ে আলোচনা কৰি থাকিব। সন্মুখত তিনিখন কাঠৰ চকীও সজোৱা থাকিব (চৰিত্ৰকেইটা ৰাস্তৱ হ'লে ভাল, নহ'লে প্ৰতীকী ৰূপত উপস্থাপন কৰিব।) যিমান পাৰি ৰাজকীয় ৰূপত দৃশ্যটো সজাব। অৱশ্যে প্ৰাচীন মায়ং ৰাজ্য অৰ্থনৈতিকভাৱে দুৰ্বল হেতুকে বেছি বিলাস বহুলতাৰো প্ৰয়োজন নাই। আঁৰ কাপোৰ উঠৰ পাছত গাইড পৰ্যটক আৰু মহিলাগৰাকীৰ প্ৰৱেশ হ'ব।)**

গাইড : নমস্কাৰ ৰজাদেউ। (পৰ্যটক আৰু মহিলাগৰাকীয়েও নমস্কাৰ দিব।)

ৰজা : (বহাৰ পৰা উঠি) নমস্কাৰ। (ডেকা ৰজা আৰু বাংঠে ৰজাইও উঠি নমস্কাৰ দিব।) বহক।

গাইড : এখেত Mr. Richard. আমেৰিকাৰ পৰা আহিছে। (ৰজাই নমস্কাৰ দিব।

পৰ্যটকেও নমস্কাৰ দিব।) এখেত হ'ল ৰশ্মিৰেখা।

মহিলা ঃ বৰগোহাঞিং।

গাইড ঃ এখেত আমাৰ অসমৰে ছোৱালী। এতিয়া বিবাহসূত্ৰে আমেৰিকাৰ বোৱাৰী।

মহিলা ঃ (হাঁহি) এখেত মোৰ মিষ্টাৰ।

ৰজা ঃ অ' হয় নেকি?

মহিলা ঃ (হাঁহি) হয়।

গাইড ঃ বাইদেউ। গমতো পাইছেই। এখেতেই আমাৰ বৰ্তমানৰ ৰজা তৰণীকান্ত সিংহ। এখেত হ'ল বাংঠে ৰজা...। আৰু এখেত হ'ল ডেকা ৰজা... (সকলোৱে সকলোকে নমস্কাৰ দিব।)

মহিলা ঃ আপোনালোকৰ এই পদবীবোৰ বংশানুক্ৰমিক নহয় জানো?

ৰজা ঃ হয়।

মহিলা ঃ প্ৰথম জনৰ ৰজাৰ নাম কি আছিল?

ৰজা ঃ শূইনত্ব সিংহ। তেখেতে ১৫৩৮ খ্ৰীষ্টাব্দত ৰাজপাটত উঠিছিল। গইদমতে আমি বীৰ ঘটোৎকচৰ বংশধৰ।

মহিলা ঃ অ' হয় নেকি?

ৰজা ঃ হয়। আমাৰ ৰজাঘৰীয়া বুৰঞ্জীত উল্লেখ আছে এই বুলি। অৱশ্যে সঁচানে মিছা আমি ক'ব নোৱাৰিম।

মহিলা ঃ Richard, Please note it.

পৰ্যটক ঃ O.K. (বহী উলিয়াই টোকা লিখি যাব।)

মহিলা ঃ আৰু এটা কথা সোধো। আপুনি কোৱা মতে শূইনত্ব সিংহ ১৫৩৮ খ্ৰীষ্টাব্দতহে ৰাজপাটত উঠিছিল তাৰ আগতে মায়ঙত কোনো ৰজা নাছিল নেকি?

ৰজা ঃ ওঁ এই বিষয়ে বুৰঞ্জীত সবিশেষ নাই। তথাপি জনশ্ৰুতি এটা আছে। শূইনত্ব সিংহ অহাৰ আগলৈকে জয়সিংহ নামৰ ৰজা এজনে মায়ংখন শাসন কৰিছিল। কিন্তু এই ৰজাজন আছিল অপুত্ৰক। ফুলেশ্বৰী কুঁৱৰী নামৰ এজনী মাত্ৰ জীয়েক আছিল। কছাৰী ৰাজ্যৰ ৰাজকুমাৰ শূইনত্ব সিংহ মায়ঙৰ পৰা আহি এই ফুলেশ্বৰী কুঁৱৰীকে বিয়া কৰাইছিল আৰু তাৰ পাছতহে ৰজা হৈছিল মায়ঙৰ।

মহিলা ঃ এই বিষয়ত কোনো গৱেষণা হোৱা নাই নেকি?

ৰজা ঃ এতিয়ালৈ বিশেষ হোৱা নাই। হ'লে কিন্তু বহু কথা ওলাই পৰিব।

মহিলা ঃ বাৰু ৰজাদেউ। আহোমৰ স'তে আপোনালোকৰ মায়ং ৰাজ্যৰ সম্পৰ্ক কেনে আছিল। ক'ব পাৰিবনে?

ৰজা ঃ ভালেই আছিল। গইদত থকা মতে— আমাৰ ৰজাই আহোম ৰজাক হাতী ধৰিও উপহাৰ দিছিল। ইফালে আহোম ৰজাইও আমাক কেকোঁৰা দোলা আদি উপহাৰ হিচাপে দিছিল।

গাইড ঃ বাইদেউ এইখিনিতে মই কথা এটা কওঁ।

মহিলা ঃ হয় কওকচোন।

গাইড ঃ আমাৰ মায়ং ৰাজ্যৰ দক্ষিণে— মানে কলং নৈৰ সিপাৰে আছিল ডিমৰুৱা ৰাজ্য। সেই ডিমৰুৱা ৰজাৰ সৈতে মায়ঙৰ ৰজাৰ কিন্তু এবাৰ ৰণ হৈছিল সীমাৰ কাৰণে।

মহিলা ঃ অ' হয় নেকি?

গাইড ঃ হয়। মানে ডিমৰুৱা ৰজাই কলংখন পাৰ হৈ— আমি যে তেতিয়া পবিতৰা হাদুগ বিলখন দেখিছিলো সেই হাদুগ বিলৰ ইপাৰে আহি সীমা পাতিছিল। ইয়াৰ ফলতে ডিমৰুৱা ৰজাৰ লগত মায়ঙৰ ৰজাৰ ৰণখন হৈছিল। এই ৰণখন ডিমৰুৱা ৰণ বুলিয়ে বিখ্যাত।

মহিলা ঃ পিছে কোন জিকিছিল ৰণত? আপোনালোক? (ৰজা, ডেকা ৰজা, বাংঠে ৰজাক উদ্দেশ্যি)

সকলোৱে ঃ হয়, আমিয়ে জিকিছিলো। (হঁহাৰ দৰে কৰিব)

গাইড ঃ হয়। মায়ঙৰ ৰজাই জিকিছিল। জনশ্ৰুতি মতে— সেই ৰণত মায়ঙৰ সৈন্যই হেনো Magical Stick- আপোনাৰ যাদুৰ লাখুটি- বিজুলী বাঁহৰ জোং, জ্বৰবান, বিষবান, গ্ৰহণীবান আদি মন্ত্ৰও ব্যৱহাৰ কৰিছিল শত্ৰুক খেদিবৰ কাৰণে।

মহিলা ঃ অ' হয় নেকি? Richard, do you understand what he is saying?

পৰ্যটক ঃ (বহীত টোকা লিখি লিখি) Yea, I have noted. It is very interesting.

মহিলা ঃ বাৰু। এখেতসকলৰতো এতিয়া কোনো শাসন ক্ষমতা নাই - নহয় জানো?

গাইড ঃ হয়। Just ornamental king. বংশানুক্ৰামিকভাৱে ভোগ কৰি অহা 'ৰজা'ৰ পদবীটো এখেতসকলৰ বাবে এতিয়া অলংকাৰ মাত্ৰ।

মহিলা ঃ ৰজা হিচাপে অন্য একোৱেই কাম-কাজ বা দায়িত্ব নাই নেকি এতিয়া?

ৰজা ঃ নাই বুলিবই পাৰি। ৰাইজৰ লগতে সমূহীয়া উন্নয়নমূলক কাম-কাজবোৰৰ লগত জড়িত থাকো। আৰু আমাৰ এটা গোসাঁই উলিওৱা উৎসৱ আছে। প্ৰতিবছৰে হয়। সেই উৎসৱতে আমি ৰজা, বা-বিষয়া সকলো ৰাজকীয় সাজেৰে এবাৰ ৰাজ্যখন ভ্ৰমণ কৰো।

ডেকা ৰজা + বাংঠে ৰজা ঃ হয়। সেই উৎসৱটোৱে এতিয়া আমাৰ পৰিচয়।

গাইড ঃ এই উৎসৱটো প্ৰতি বহাগৰ ৪, ৫ আৰু ৬ তাৰিখে হয়। ৫ তাৰিখে মায়ঙৰ পাঁচজনা গোসাঁইক আগত লৈ ৰজা, বা-বিষয়া সকলোৱে গাঁৱৰ মাজেৰে শোভাযাত্ৰা কৰি হাতীমূৰীয়াৰ বামুন গোসাঁই থানলৈ যায় আৰু ৬ তাৰিখে তেনেকৈয়ে ৫-৬ খন গাঁও অতিক্ৰমি বুঢ়া মায়ঙৰ ভগৱতী থানলৈ যায়। মায়ঙৰ দশম জনা ৰজা শৰৎ চন্দ্ৰ সিংহই নৱদ্বীপৰ পৰা অনা ৫ জনা গোসাঁই মূৰ্ত্তিক লৈয়ে আৰম্ভ কৰিছিল এই উৎসৱটো। আজি প্ৰায় ৩৪৩ বছৰ হ'ল- একে ৰীতি-নীতিয়েই উদযাপিত হৈ আহিছে। কালিলৈ আপোনালোকে আমাৰ গ্ৰাম্য সংগ্ৰহালয়টো চাব নহয় — উৎসৱটোৰ কেইবাখনো আলোকচিত্ৰ তাত আছে — দেখা পাব আপোনালোকে। বৰ বিৰল প্ৰকৃতিৰ উৎসৱ। বস্তুত বিশেষত্ব আছে ইয়াৰ। আপোনালোকক গধূলিলৈ সকলো ক'ম।

মহিলা ঃ ঠিক আছে। আমি তেনেহ'লে এতিয়া ফটো দুখনমান লওঁ। (কেমেৰাটো গাইডক দি) ধৰকচোন। আপুনি তোলক। আমি উঠো। Richard, come here.

পৰ্যটক ঃ (উঠি গৈ) O.K. (ৰজাৰ পাছলৈ গৈ) I am here.

গাইড ঃ Be ready. (ফটো তোলে) OK

মহিলা ঃ আৰু একপি লওঁক নেকি? থিয় হৈ উঠো এইবাৰ। (সকলো থিয় হয়) চাওঁ আপুনি অকণমান এনেকে দিয়কচোন। ঠিক আছে। তোলক। (নিজেও সাজু হয়)

গাইড ঃ Reay (ফটো তোলে) ওঁ- হৈছে।

মহিলা ঃ আমি এতিয়া গৈ থাকো ৰজাদেউ। আপোনালোকৰ মায়ংখন চাই বস্তুত ভাল পালো।

সকলোৱে ঃ আপোনালোকে ভাল পালেই আমাৰ ভাল আৰু। (সকলোৱে হাঁহিব)

মহিলা ঃ যাওঁ দিয়ক। (সকলোৱে নমস্কাৰ দিব)

সকলোৱে ঃ হয়। আহিব আকৌ। (নমস্কাৰ দিব)

**(দুয়োপক্ষ নমস্কাৰৰ ভংগীত বৈ যাব। আঁৰ কাপোৰ পৰিব। সংগীত বাজি উঠিব।)** ◆◆